Content includes AI-generated material

বৰাকৰ ধলাইত লোমহৰ্ষক ঘটনা!




বিতং বাতৰি ৭নং পৃষ্ঠাত

www.newsnextone.com


# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, JANUARY 31, 2025 ■ শুকুৰবাৰ, ১৭ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩৪ Guwahati, Assam ।। মূল্যঃ এটকা

## অবৈধ কয়লা খননৰ পিছত গাহৰি পালনক লৈয়ো স্ব-বিৰোধী মন্তব্য

# মিছা কথাৰ... এমাহত মুখ্যমন্ত্ৰীৰ দ্বিতীয়টো মিথ্যাচাৰ



### ■ ফেচবুকত থাই কোম্পানীৰ সৈতে কৰা বৈঠকৰ ফটো পোষ্ট কৰিও একোকে নাজানো বুলি অদ্ভুত দাবী মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ৩০ জানুৱাৰীঃ থাইলেণ্ডৰ চিপি গ্ৰুপক অসমত গাহৰি পালন আৰু ব্যৱসায় কৰিবলৈ আমন্ত্ৰণ কৰিছে চৰকাৰে। এডভাণ্টেজ আছামৰ বিনিয়োগকাৰী ৰূপে থাইলেণ্ডৰ উক্ত প্ৰতিষ্ঠানটোক আমন্ত্ৰণ জনোৱা ৫ পৃষ্ঠাত

### কোকৰাঝাৰত মন্ত্ৰী পীযুষ হাজৰিকা

## ‘গণতন্ত্ৰ শক্তিশালী কৰিবলৈ শক্তিশালী হ’ব লাগিব সাংবাদিক’



ই-সংবাদ, কোকৰাঝাৰ, ৩০ জানুৱাৰীঃ কোকৰাঝাৰ তাৰকাগৃহৰ প্ৰেক্ষাগৃহত আজি ৰাজ্যৰ তিনিওটা স্বায়ত্তশাসিত পৰিষদৰ সাংবাদিকসকলৰ ২ পৃষ্ঠাত



বিলাসী অডি ক্ৰয় আধ্যাত্মিক গুৰুৰ! ছচিয়েল মিডিয়াত ব্যাপক চৰ্চাৰ পিছত ফেচবুক পেজৰ পৰা অডি গুৱাহাটীয়ে ডিলিট কৰা বিশেষ ফটোখন, বৃহস্পতিবাৰে

## কুম্ভ মেলাত সন্ধানহীন ৰাজ্যৰ ৩জন পুণ্যাৰ্থী

ই-সংবাদ, ৩০ জানুৱাৰীঃ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত শেষাংশ ২ পৃষ্ঠাত

## শিৱসাগৰত আকৌ অভিযান ভিজিলেন্সৰ

ই-সংবাদ, শিৱসাগৰ, ৩০ জানুৱাৰীঃ শিৱসাগৰ জিলা পৰিষদৰ শেষাংশ ২ পৃষ্ঠাত

## ওৰাঙত বৃদ্ধি পালে বাঘৰ সংখ্যা

ই-সংবাদ, ৩০ জানুৱাৰীঃ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰৰ দৰং আৰু ৩ পৃষ্ঠাত চাওক

## আমেৰিকাত বিমান দুৰ্ঘটনাত ৬৭ জন নিহত

নিউয়ৰ্ক, ৩০ জানুৱাৰীঃ আমেৰিকাৰ আকাশত বুধবাৰে নিশা সৃষ্টি হ’ল এক ভয়ংকৰ শেষাংশ ৩ পৃষ্ঠাত

ROYAL CONSTRUCTION

MANUFACTURER OF

CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES

FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### প্ৰতিবাদকাৰীক নিশা তিতাবৰলৈ স্থানান্তৰ

## জৈন ধৰ্মৰ ‘দিগাম্বৰ’ বাবাক লৈ উত্তপ্ত যোৰহাট

ই-সংবাদ, যোৰহাট-তিতাবৰ, ৩০ জানুৱাৰীঃ শিক্ষা আৰু সংস্কৃতিৰ নগৰী যোৰহাটত এগৰাকী উলংগ বাবাৰ পদযাত্ৰাৰ পাছতেই ২ পৃষ্ঠাত



### ৰাজীৱ ভৱনত শ্বহীদ দিৱসত দিগ্বিজয় সিং

## গান্ধীক হত্যাৰ পিছত গান্ধীৰ আদৰ্শক হত্যাৰ ষড়যন্ত্ৰ অব্যাহত আছে



গুৱাহাটী, ৩০ জানুৱাৰীঃ জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭৭ সংখ্যক শ্বহীদ দিৱস অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘গণতন্ত্ৰ শক্তিশালী কৰিবলৈ শক্তিশালী

এক সন্মিলন দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বিটিচি চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা সাংবাদিক সন্মিলনত বিটিআৰ, কাৰ্বি আংলং আৰু ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ (এনচিএচি)ৰ পৰা দুই শতাধিক সাংবাদিকে অংশগ্ৰহণ কৰে। সাংবাদিক সন্মিলনৰ বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰে তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। উদ্বোধনী ভাষণত মন্ত্ৰী পীযুষ হাজৰিকাই সাংবাদিকসকল শক্তিশালী হ'লেহে গণতন্ত্ৰ শক্তিশালী হ'ব" বুলি উল্লেখ কৰি সত্যনিষ্ঠ সংবাদ পৰিৱেশন কৰিবলৈ সাংবাদিকসকলক আহ্বান জনায়। সংবাদক্ষেত্ৰখনত হোৱা পৰিৱৰ্তনৰ কথা সুঁৱৰি তেওঁ কয়, "এসময়ত এক লাখ চাৰ্কুলেছন হোৱা কাকতৰো এতিয়া চাৰ্কুলেছন ২৫-৩০ হাজাৰ হৈছেহি, চেনেলৰ টিআৰপি দহৰ পৰা নামি আঢ়ৈ হৈছেহি। ইয়াৰ কাৰণ কি আমি বিশ্লেষণ কৰা উচিত।" লগতে একাংশ প'ৰ্টেলৰ সংবাদসেৱা সম্পৰ্কেও তেওঁ নিজৰ অভিমত ব্যক্ত কৰে। অনুষ্ঠানত উপস্থিত থকা বিটিচিৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যবাহী সদস্য ডঃ নীলুৎ স্বৰ্গীয়াৰীয়ে বিটিআৰৰ পিছপৰা অঞ্চলসমূহক আগবঢ়াই নিবলৈ সাংবাদিকসকলক আহ্বান জনাই কয়, "অহা ২০২৫-২৬ বিত্তীয় বৰ্ষ পৰা বিটিআৰৰ যিসকল সাংবাদিকে কষ্টৰে সংবাদসেৱা আবঢ়াই আছে, তেওঁলোকৰ মাজৰ পাঁচগৰাকীক গাইপতি ৫০ হাজাৰকৈ "বিটিআৰ এক্সেলেন্স গ্ৰাণ্ট ইন ডেভেলপমেণ্ট ৰিপ'ৰ্টিং" শিৰোনামেৰে আৰ্থিক সাহায্য দিয়াৰ উপৰি আন পাঁচগৰাকীক মিডিয়া ফেল'শ্বিপ আগবঢ়োৱা হব বুলি সদৰী কৰে। আনহাতে সন্মিলনত বিভিন্ন শীৰ্ষক বিষয় লৈ এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে প্ৰাগ নিউজৰ এডিটৰ-ইন-চীফ প্ৰশান্ত ৰাজগুৰু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ মুৰব্বী চন্দন কুমাৰ গোস্বামী আৰু "দৈনিক পূৰ্বোদয়"ৰ সম্পাদক ৰবি শংকৰ ৰবিয়ে অংশ লয়। প্ৰাগ নিউজৰ এডিটৰ-ইন-চীফ প্ৰশান্ত ৰাজগুৰুৱে উন্নয়নমুখী সাংবাদিকতা সম্পৰ্কে তেওঁৰ গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। ষষ্ঠ অনুসূচীৰ ইতিহাস সম্পৰ্কেও তেওঁ ব্যাখ্যা কৰে। লগতে ক'ভিড-১৯ৰ পৰৱৰ্তীকালত ছপা মাধ্যমলৈ অহা দুৰ্যোগেও তেওঁৰ বক্তব্যত ঠাই পায়। ৰবি শংকৰ ৰবিয়ে চৰকাৰ আৰু মিডিয়াৰ সম্পৰ্কৰ বিষয়ে গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। সংবাদ মাধ্যমৰ আইন আৰু নিৰ্দেশনাসমূহ সন্দৰ্ভত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ মুৰব্বী চন্দন কুমাৰ গোস্বামীয়ে বহুলভাৱে ব্যাখ্যা আগবঢ়ায়। তাৰ সমান্তৰালভাৱে তেওঁ বাতৰি লিখোতে শব্দ প্ৰয়োগ সম্পৰ্কেও নিজৰ অভিমত ব্যক্ত কৰে। আজিৰ সন্মিলনত বিটিচিৰ জনসংযোগ বিভাগৰ কাৰ্যবাহী সদস্য ডা° নীলুৎ স্বৰ্গীয়াৰী, বিধায়ক জিৰণ বসুমতাৰী, কাৰ্যবাহী সদস্য অৰূপ দে', উকীল মুছাহাৰী, বিটিচিৰ প্ৰধান সচিব আকাশদীপ উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত আকৌ অভিযান

বিষয়া, এচিএছ অশ্বিনী কুমাৰ দলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে। আজি শিৱসাগৰ জিলাৰ তিনিটা স্থানত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলায়। হালোৱাটিঙ, গৌৰীসাগৰ আৰু শিৱসাগৰ অসামৰিক চিকিৎসালয় চৌহদত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে এই অভিযান চলায়। চিকিৎসালয় চৌহদত দোকানৰ গৃহ নিৰ্মাণ কৰিছিল ডিআৰডিএৰ অধীনত। সেই দোকানসমূহ নীৰিক্ষণ কৰে দলটোৱে। অসামৰিক চিকিৎসালয়ৰ সন্মুখতে থকা কেইবাখনো দোকানৰ গৃহ নিৰ্মাণৰ বাবে জিলা গ্ৰামোন্নয়ন বিভাগৰ তৰফৰ পৰা পুঁজি ব্যয় কৰা হৈছিল। সেই পুঁজি সঠিকভাৱে ব্যৱহাৰ নকৰা বুলি অভিযোগ উঠি আহিছিল। আজি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দলটোৱে শিৱসাগৰ লোক নিৰ্মাণ বিভাগ(গৃহ)ৰ একাংশ অভিযন্তাক লগত লৈ জোখ-মাখ কৰে দোকানসমূহৰ। ইপিনে আগবেলা দলটোৱে শিৱসাগৰ আমগুৰিৰ হালোৱাটিঙত কেইবাটাও পথ, ৰাজহুৱা প্ৰেক্ষাগৃহ, শ্মশান আদি পৰিদৰ্শন কৰে। সেইবিলাক অশ্বিনী দলে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী হৈ থাকোঁতেই নিৰ্মাণ কৰিছিল। তাৰ পিছতে গৌৰীসাগৰতো অভিযান চলাই দলটোৱে। উল্লেখ্য যে অশ্বিনী কুমাৰ দলৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে ০১/২০২৫ নম্বৰৰ এটা গোচৰ ৰুজু কৰি থৈছে। অশ্বিনী কুমাৰ দলৰ বিৰুদ্ধে আয়তকৈ সম্পত্তিৰ পৰিমাণ অধিক বুলি অভিযোগ উঠিছে। তদুপৰি বিভিন্ন চৰকাৰী আঁচনি ৰূপায়নৰ নামতো ব্যাপক দুৰ্নীতি কৰাৰ অভিযোগ উঠি আহিছিল। যোৱা ৪ জানুৱাৰীৰ পৰা মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ ছয় জনীয়া দলে শিৱসাগৰত বাহৰ পাতি তদন্ত অব্যাহত ৰাখিছে। লক্ষণীয় যে অশ্বিনী কুমাৰ দলেয়ে চলিত মাহৰ প্ৰথম সপ্তাহতে বিটিচিৰ সচিব হিচাপে কোকৰাঝাৰলৈ বদলি হৈ গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কুম্ভ মেলাত সন্ধানহীন ৰাজ্যৰ ৩জন

হৈ থকা কুম্ভমেলাত পদপিষ্ট হৈ ইতিমধ্যে প্ৰায় ৪০গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ লগতে শতাধিক লোক আহত হৈছে। নিহত লোকৰ মাজত আছে অসমৰ হাইলাকান্দিৰ ব্যৱসায়ী নীতিৰঞ্জন পাল। লগতে প্ৰায় তিনি শতাধিক লোক নিৰুদ্দেশ হৈ থকাৰ অনুমান কৰা হৈছে। নিৰুদ্দিষ্ট হৈ থকা লোকৰ ভিতৰত অসমৰ তিনিগৰাকী লোক থকা বুলি জানিব পৰা গৈছে। কুম্ভমেলাৰ পদপিষ্ট ঘটনাৰ অসমৰ তিনিজন লোক নিৰুদ্দেশ হৈ থকাত পৰিয়ালসমূহে চুকলো টুকি সময় পাৰ কৰিছে। নিৰুদ্দিষ্ট তিনিজন লোক হৈছে তিনিচুকীয়াৰ ওম শংকৰ মহাতো, লীলা দেৱী আৰু বিশ্বনাথ চাৰিআলিৰ মঞ্জু দেৱী আগৰৱালা। ২৯ জানুৱাৰীৰ পুৱা ৬ বজাৰ পৰা বিশ্বনাথ চাৰিআলিৰ মঞ্জু দেৱী আগৰৱালা সন্ধানহীন হৈ আছে। মঞ্জু দেৱীৰ পৰিয়ালে জানিবলৈ দিয়া মতে, ২৯ জানুৱাৰীৰ পুৱা ৬ বজাত পৰিয়ালৰ সদস্যসকলৰ সৈতে তেওঁ স্নান কৰিবলৈ যায়। স্নান কৰিবলৈ যোৱাৰ পিছৰে পৰা পৰিয়ালৰ আন সদস্যৰ পৰা সংযোগ বিচ্ছিন্ন হয় মঞ্জু দেৱীৰ। পৰিয়ালে স্থানীয় ঘোষণা কক্ষত খবৰ দিয়ে যদিও এই পৰ্যন্ত সম্ভেদ পোৱা নাই। বিশ্বনাথ জিলা আৰক্ষীয়ে মঞ্জু দেৱীৰ ঘৰলৈ গৈ প্ৰয়াগৰাজৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰা বুলি জানিব পৰা গৈছে। ইপিনে তিনিচুকীয়া জিলাৰ বৰহাপজান নিউ মাৰ্কেটৰ লীলা দেৱী (৬১) নিৰুদ্দেশ হৈ আছে। স্নান কৰিবলৈ নদীৰ ঘাটলৈ যোৱাৰ পিছতে তেওঁ নিৰুদ্দেশ হয়। মাতৃৰে সংযোগ বিচ্ছিন্ন হোৱাত পুত্ৰ অনিল প্ৰসাদে প্ৰয়াগৰাজলৈ যাত্ৰা আৰম্ভ কৰিছে। লীলা দেৱীয়ে ২৭ জানুৱাৰীত তিনিচুকীয়াৰ পৰা মহাকুম্ভলৈ যাত্ৰা কৰিছিল। ২৮ জানুৱাৰীৰ নিশা ত্ৰিবেণী সংগমত মৌনী অমাৱস্যাৰ স্নানৰ দৃশ্য প্ৰত্যক্ষ কৰিবলৈ কেইবা লক্ষ লোক একত্ৰিত হয়। একাংশ লোক বেৰিকেড বগাই সেই দৃশ্য চাবলৈ হেতা-ওপৰা লগাই একাংশ লোকে। তেনে সময়তে দৌৰা-দৌৰি লাগে। বহু লোক জনসমাগমত পৰি ৰৈয়। পৰি ৰোৱা লোকৰ ওপৰেৰে হাজাৰ হাজাৰ লোক পাৰ হৈ যায়। পৰি ৰোৱা লোকৰ মাজৰ ৩৯ জন লোকৰ মৃত্যু হয়। তাৰ মাজতে আছিল অসমৰ হাইলাকান্দিৰ ব্যৱসায়ী নীতি ৰঞ্জন পাল। অসমৰ সন্ধানহীন ব্যক্তি ৩জনৰ পৰিয়ালে উত্তৰ প্ৰদেশ আৰক্ষীৰ সৈতে যোগাযোগ কৰিছে যদিও এই বাতৰি যুগুত কৰা পৰ্যন্ত আপোনজনৰ সৈতে যোগাযোগ কৰিব পৰা নাই। অসম আৰক্ষীয়ে বিষয়টোক গুৰুত্বসহকাৰে লোৱা দেখা গৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# জৈন ধৰ্মৰ 'দিগাম্বৰ' বাবাক লৈ উত্তপ্ত

উত্তেজনাই বিৰাজ কৰে চহৰখনত। যোৰহাটৰ ৰাজপথত এজন প্ৰাপ্তবয়স্ক ব্যক্তি নিৰ্বস্ত্ৰ হৈ পদযাত্ৰা কৰিব, তাকো প্ৰশাসনৰ কটকটীয়া নিৰাপত্তাৰ মাজত; এই কথা সহজভাৱে ল'ব পৰা নাই স্বাভিমানী যোৰহটীয়া ৰাইজে। জৈন ধৰ্মাৱলম্বী এজন দিগাম্বৰ ধৰ্মগুৰুৱে উলংগ হৈ যোৰহাটৰ ৰাজপথেৰে শোভাযাত্ৰা কৰাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়ে যোৰহাটৰ ৰাইজে। আজি যোৰহাট আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত বীৰ লাচিত সেনা, অসমৰ লগতে মহিলা সমিতি আৰু অধিবক্তা সমন্বিতে নাগৰিক সমাজে প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। বীৰ লাচিত সেনা অসমৰ আদিত্য পানীফুকন, জ্যেষ্ঠ অধিবক্তা হেমেন বৰা প্ৰমুখ্যে আন্দোলনকাৰীসকলে আয়ুক্ত কাৰ্যালয়ৰ সমুখত প্ৰতিবাদ জনাই স্মাৰকপত্ৰ প্ৰদান কৰে। হেমেন বৰাই কয়, "এইখন শংকৰদেৱৰ দেশ, শংকৰদেৱে আমাক উলংগ হৈ থাকিবলৈ কোৱা নাই। আমি কাৰো ধৰ্মীয় অনুভূতিত আঘাত কৰিব নিবিচাৰো। কিন্তু তাৰ অৰ্থ এইটো নহয় যে আমি এজন উলংগ ব্যক্তিক আৰক্ষীৰ নিৰাপত্তা দি সমদল কৰোৱা কাৰ্য সমৰ্থন কৰিম। তেওঁলোকে নিজৰ ধৰ্ম চাৰিবেৰৰ ভিতৰত কৰক আমাৰ ক'ব লগা নাই; কিন্তু যোৰহাটত এই কাম কৰিবলৈ দিয়া ন'হব।" উলংগ বাবাজনক যোৰহাটৰ পৰা ওলাই যাবলৈ কৈ হেমেন বৰাই কয়, "যদি নাযায় তেন্তে কোনো উন্মাদ অসমীয়া ল'ৰাই তেওঁৰ লিংগ ছেদ কৰি ভোগদৈ নৈত উটুৱাই দিবলৈ হয়তো কুণ্ঠাবোধ নকৰিব।" স্মাৰকপত্ৰ প্ৰদান কৰি প্ৰতিবাদকাৰী দলটো আগবাঢ়ে যোৰহাটৰ ঠাকুৰবাৰী অভিমুখে। উল্লেখ্য কৰিব লাগিব যে যোৰহাটৰ গৰিষ্ঠসংখ্যক প্ৰভাৱশালী মাৰোৱাৰী সম্প্ৰদায়ৰ লোক ঠাকুৰবাৰীত বাস কৰে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি কালি সমদল কৰাৰ পাছত উলংগ বাবাজনে ঠাকুৰবাৰীত আশ্ৰয় লয়। সেয়ে প্ৰতিবাদকাৰী দলটো ঠাকুৰবাৰী অভিমুখে ৰাওনা হয়। যাত্ৰাপথত আৰক্ষীয়ে প্ৰতিবাদকাৰী সকলক ভেটিবলৈ ৰণকৌশল তৈয়াৰ কৰি আছিল। যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই নিজেই আটক কৰি লৈ যায় বীৰ লাচিত সেনা, অসমৰ যোৰহাট জিলা সমিতিৰ নেতা আদিত্য পানীফুকন, অধিবক্তা হেমেন বৰা, যুৱ ছাত্ৰ পৰিষদৰ ৰিতু শইকীয়াকে ধৰি বহু কেইগৰাকী প্ৰতিবাদকাৰীক। ইফালে, উলংগ বাবা কাণ্ডৰ বিৰুদ্ধে যোৰহাটত গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰি আৰক্ষীৰ হাতত আটক হোৱা বীৰ লাচিত সেনা অসমৰ জিলা সভাপতি আদিত্য পানীফুকনসহ প্ৰতিবাদকাৰীসকলক দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ দৰে আচৰণ কৰি যোৰহাটৰ পৰা বৰহোলা আৰক্ষী থানালৈ প্ৰেৰণ কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৰহাটত প্ৰতিবাদৰ সন্মুখীন হোৱাৰ শংকা প্ৰকাশ কৰি আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক বৰহোলা থানালৈ লৈ আনে বুলি সন্দেহ কৰা হৈছে। বিয়লি ১ বজাৰ পৰা সন্ধিয়া ৭ বজা পৰ্যন্ত বৰহোলা থানাত প্ৰতিবাদকাৰী সকলক আবদ্ধ কৰি ৰখাৰ বিষয়ে প্ৰচাৰ হোৱাত বহু সংখ্যক লোক থানাখনৰ সন্মুখত উপস্থিত হোৱাৰ প্ৰতিবাদৰ শংকাত লাচিত সেনাৰ আদিত্য পানীফুকন, সুজিত দত্ত আৰু মিন্টু বৰা নামৰ অন্য এগৰাকী প্ৰতিবাদকাৰী সহ তিনিজনক তিতাবৰ থানালৈ স্থানান্তৰিত কৰা হয়। বাতৰি লিখা পৰ্যন্ত আৰক্ষীয়ে নিশ্চিত বেহু সাজি প্ৰতিবাদকাৰীক থানাত আবদ্ধ কৰি ৰাখিছে। আৰক্ষীৰ এক সূত্ৰই সদৰী কৰা অনুসৰি অসম আৰক্ষীৰ শীৰ্ষ মহলৰ হেঁচাত এনেদৰে প্ৰতিবাদকাৰীসকলক আবদ্ধ কৰি ৰখা হৈছে। গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰা প্ৰতিবাদকাৰীক আৰক্ষীয়ে আটক কৰি পৰৱৰ্তী সময়ত এৰি দিয়াটো গণতান্ত্ৰিক নিয়ম যদিও আজিৰ প্ৰতিবাদকাৰীসকলক আবদ্ধ কৰি নিশা পৰ্যন্ত এৰি নিদিয়া ঘটনাই ৰাজ্য চৰকাৰৰ ফেচিষ্ট মনোভাব স্পষ্ট কৰা বুলি সচেতন মহলে মতপ্ৰকাশ কৰিছে। ইফালে লাচিত সেনাই আৰক্ষীৰ ভূমিকাক কঠোৰভাৱে সমালোচনা কৰি বিনাচৰ্তে আটকাধীন সংগঠনৰ নেতাক মুকলি কৰি নিদিলে কাইলৈ প্ৰশাসন যন্ত্ৰ প্ৰবল প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়াই দিছে। ইফালে, উলংগ বাবাক লৈ ছ'চিয়েল মিডিয়াতো নেটিজেনসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাত বিমান দুৰ্ঘটনাত ৬৭ জন

দুৰ্যোগৰ। ৱাশ্বিংটন ডি চিৰ সমীপত এখন যাত্ৰীবাহী বিমান আৰু এখন মাৰ্কিন সামৰিক হেলিকপ্টাৰ মাজ আকাশত দুৰ্ঘটনাগ্ৰস্ত হয়। এই দুৰ্ঘটনাৰ পিছতে পট'মেক নদীত বাগৰি পৰে বিমানখন। চিএনএনৰ সূত্ৰ অনুসৰি দুৰ্ঘটনাগ্ৰস্ত বিমানখনত ৬০ জন যাত্ৰী আৰু ৪জন ক্ৰিউ মেম্বাৰ আছিল। আনহাতে সামৰিক হেলিকপ্তাৰখনত ৩জন সেনা আছিল। দুৰ্ঘটনাটোৰ ফলত হেলিকপ্টাৰ আৰু বিমান দুয়োখনতে থকা ৬৭ জন যাত্ৰী নিহত হোৱা বুলি সংবাদ প্ৰতিষ্ঠান ৰয়টাৰ্ছে বাতৰি প্ৰকাশ কৰিছে। স্থানীয় সময় অনুসৰি বুধবাৰে নিশা ৰ'নাল্ড ৰেগান ৰাষ্ট্ৰীয় বিমানবন্দৰৰ সমীপত এখন সামৰিক ব্লেক হক হেলিকপ্টাৰ আমেৰিকান এয়াৰলাইন্সৰ ফ্লাইট ৫৩৪২ৰ সৈতে সংঘৰ্ষ হয়। প্ৰবল আঘাতৰ বাবে নিমিষতে নিয়ন্ত্ৰণ হেৰুৱাই বিমানখন নদীত বাগৰি পৰে। দুৰ্ঘটনাটোৰ লগে লগে উদ্ধাৰ অভিযান আৰম্ভ হয়। নিৰুদ্দেশ হোৱা যাত্ৰীসকলক বিচাৰি উলিয়াবলৈ অভিযান অব্যাহত থকা বুলি প্ৰশাসনে অৱগত কৰিছে। ইফালে, প্ৰত্যক্ষদৰ্শীৰ বিৱৰণীত প্ৰকাশ পাইছে দুৰ্ঘটনাৰ ভয়ংকৰ ছবি। বহু লোকে নিশাৰ আকাশত হঠাতে জুইৰ প্ৰচণ্ড শিখা দেখা পোৱাৰ খবৰ দিছিল। কি ঘটিছে সেয়া গম পোৱাৰ আগতেই শুনা গৈছিল চাইৰেণ, মানুহৰ আৰ্তনাদ। দুৰ্ঘটনাৰ সময়ত জৰ্জ ৱাশ্বিংটন হাইৱে'ৰ কাষত থকা এজন প্ৰত্যক্ষদৰ্শী আৰি শ্বলমেনে কয়, "প্ৰথমতে সকলো ঠিকেই যেন লাগিছিল। হঠাতে বিমানখনৰ দিশ সলনি হ'ল আৰু জুইৰ শিখাই বিভীষিকাৰ ৰূপ ধৰে। ইয়াৰ পিছত মাত্ৰ কেইটামান মুহূৰ্তৰ ভিতৰতে বিমানখন ভূপতিত হয়।" এই দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। মৃতকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি তেওঁ কয়, "মৃতকৰ আত্মাই শান্তি লাভ কৰক।" অৱশ্যে এই সংঘৰ্ষৰ কাৰণ কি সেয়া এতিয়াও স্পষ্ট হোৱা নাই। প্ৰশাসনে তদন্ত আৰম্ভ কৰিছে। দুৰ্ঘটনাটোৰ ভয়াবহ মুহূৰ্তৰ এটা ভিডিঅ' ইতিমধ্যে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। বিমানখনৰ পথ সন্দৰ্ভত বিভ্ৰান্তি হৈছিল নে আন কোনো কাৰণত বিভ্ৰান্তি হৈছিল সেই বিষয়ে তদন্ত চলোৱা হৈছে। এই ঘটনাটোৱে ৰাষ্ট্ৰপতি ট্ৰাম্পকো বিমোৰত পেলোৱা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ওৰাঙত বৃদ্ধি পালে বাঘৰ সংখ্যা

শোণিতপুৰ জিলাক সামৰি থকা ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পই কঢ়িয়াই আনিছে এক ভাল খবৰ। ৰাষ্ট্ৰীয় বাঘ সংৰক্ষণ কৰ্তৃপক্ষই (এনটিচিএ) আৰু ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে (ডব্লিউআইআই) শেহতীয়াকৈ চলোৱা গণনাত বাঘৰ সংখ্যা বৃদ্ধি পোৱাৰ খবৰ পোৱা গৈছে। পূৰ্বতকৈ প্ৰায় ৯ৰ পৰা ১০টা বেছি বাঘৰ উপস্থিতি লাভ কৰিছে। গণনাত ২৬টাতকৈ অধিক বাঘৰ উপস্থিতি পোৱা গৈছে বুলি জানিব পৰা গৈছে। বাঘৰ সংখ্যা বৃদ্ধিয়ে স্থানীয় প্ৰকৃতি প্ৰেমীসকলক উৎসাহিত কৰিছে। বিগত দুটা দশকৰ পিছত এয়া এক গুৰুত্বপূৰ্ণ খবৰ বিবেচিত হৈছে। মাত্ৰ ৭৮.৮ বৰ্গ কিলোমিটাৰৰ সংৰক্ষিত এলেকাত বাঘৰ বাবে পৰিৱেশ গঢ়ি উঠিছে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বাঘ, হাতী, বিভিন্ন উদ্ভিদ আৰু বিভিন্ন প্ৰাণীৰ প্ৰজাতি আছে। ব্ৰহ্মপুত্ৰৰ কাষত হোৱাৰ বাবে পৰিভ্ৰমী চৰাইৰো আৱাসস্থলী। দেশী-বিদেশী পৰ্যটক আৰু পক্ষীপ্ৰেমীসকলৰ বাবে আকৰ্ষণৰ ঠাই। পূৰ্বে উদ্যানখনত চোৰাং চিকাৰীয়ে সন্ত্ৰাস চলাই বন্যপ্ৰাণী নিধন কৰিছিল। শেহতীয়াকৈ বনকৰ্মীৰ টহল, নিৰীক্ষণ পদ্ধতি কটকটীয়া কৰা হৈছে। ড্ৰোন আৰু কেমেৰা ট্ৰেপৰ দ্বাৰা পৰিস্থিতি সুৰক্ষিত কৰা হৈছে। ১৯৯৯ চনত ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা লাভ কৰাৰ পূৰ্বে ১৯৮৫ চনত বন্যপ্ৰাণী অভয়াৰণ্য কৰা হৈছিল। ৰাজ্য চৰকাৰে শেহতীয়াকৈ বুঢ়া চাপৰি বন্যপ্ৰাণী অভয়াৰণ্যত ২,০৯৯ হেক্টৰ ভূমি মুকলি কৰিছে। যাৰ ফলত ওৰাং আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজত এক গুৰুত্বপূৰ্ণ কৰিডৰ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গান্ধীক হত্যাৰ পিছত গান্ধীৰ আদৰ্শক

মুখ্য কাৰ্যালয় গুৱাহাটীস্থিত ৰাজীৱ ভৱনত আজি গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত হয়। ৰাজ্যসভাৰ সাংসদ তথা মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দিগ্বিজয় সিঙে বন্তি প্ৰজ্বলনৰ দ্বাৰা বাপুৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে বিগত ১০-১১ বছৰ ধৰি ভাৰতবৰ্ষত দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ বিৰুদ্ধে বিজেপি আৰু আৰএছএছে এক অপপ্ৰচাৰ অব্যাহত ৰাখিছে। যিসকলে দেশৰ স্বাধীনতাৰ বাবে কোনোধৰণৰ ত্যাগ কৰা নাই সেইসকলক পূজা কৰি দেশৰ বাবে মৃত্যু বৰণ কৰা স্বাধীনতাৰ সেনানীসকলক হেয় কৰাৰ অপচেষ্টাই আমাক ব্যাথিত কৰি তুলিছে। গান্ধীৰ অহিংস আৰু সত্যৰ নীতিক কংগ্ৰেছে সদায় আগুৱাই লৈ যাব বুলি উল্লেখ কৰি জ্যেষ্ঠ কংগ্ৰেছ নেতাজনে কয় যে জাতিৰ পিতা মহাত্মা গান্ধীৰ আশীৰ্বাদ আছে বাবে সমগ্ৰ দেশত পুনৰ কংগ্ৰেছে সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ বাবে শাসন গ্ৰহণ কৰিব আৰু অসমতো ২০২৬ত কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন হ'ব। তেওঁ কয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই বিজেপি বিৰোধী সকলো শক্তিক একত্ৰিত কৰি ২০২৬ত শক্তিশালীভাৱে বিজেপি আৰু আৰএছএছৰ ষড়যন্ত্ৰ ওফৰাই অসমত কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন কৰিব। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে দেশৰ স্বাধীনতাৰ বাবে সমস্ত ত্যাগ কৰি সাম্প্ৰদায়িক আৰএছএছৰ নেতাৰ গুলীত মৃত্যু হোৱা মহাত্মা গান্ধীয়ে মৰিবৰ সময়ত 'হে ৰাম' বুলি কৈছিল। সেইজন নেতাৰ আদৰ্শ আৰু নীতি বুকুত বান্ধি কংগ্ৰেছে ভাৰতৰ গণতন্ত্ৰ, সংবিধান সুৰক্ষাৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছে আৰু সেই সংগ্ৰামত যিসকল সেনানীয়ে ইতিমধ্যে সংযুক্ত হৈ সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিছে তেওঁলোকৰ ঐক্যবদ্ধ প্ৰচেষ্টাতে ২০২৬ত অসমত কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন হ'ব। ৰাজ্যসভাৰ সাংসদ তথা বিহাৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ডঃ অখিলেশ প্ৰসাদ সিঙেও গান্ধীৰ শ্বহীদ দিৱসত অংশগ্ৰহণ কৰি আৰএছএছ আৰু বিজেপিক কঠোৰ ভাষাৰে সমালোচনা কৰে। আৰএছএছে গান্ধীক হত্যা কৰাৰ পিছত বিজেপিয়ে গান্ধীৰ আদৰ্শক হত্যা কৰাৰ বাবে অপচেষ্টা চলাই আছে বুলি তেওঁ অভিযোগ কৰে। বিহাৰত কংগ্ৰেছৰ চৰকাৰ গঠন হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ ২৬ৰ নিৰ্বাচনত বিহাৰ কংগ্ৰেছৰ তৰফৰ পৰা সকলোধৰণৰ সহায়-সহযোগৰ হাত আগবঢ়াব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই বিহাৰৰ নিৰ্বাচনত অসমৰ কংগ্ৰেছ নেতাই প্ৰচাৰ চলাই কংগ্ৰেছ চৰকাৰ অনাত সহায় কৰিব বুলিও তেখেতক প্ৰতিশ্ৰুতি দিয়ে। সভাত অখিলেশ প্ৰসাদ সিঙৰ কৰ্মৰাজি আৰু কৃতিত্বৰ সম্পৰ্কে ব্যাখ্যা আগবঢ়াই প্ৰাক্তন ৰাজ্যসভাৰ সাংসদ ৰিপুণ বৰাই কয় যে অখিলেশ সিং এজন পলিটিকেল ইন্টেলেকচুৱেল। ৰাজ্যসভাত তেখেতৰ লগত একত্ৰিতভাৱে বিজেপি চৰকাৰৰ ভ্ৰষ্টাচাৰ উদঙাই দিয়া বুলিও বৰাই উল্লেখ কৰি অখিলেশ সিঙৰ কৰ্মৰাজিৰ বহু দিশ ৰাজীৱ ভৱনৰ কংগ্ৰেছ নেতা-কৰ্মীসকলৰ সমুখত ব্যাখ্যা কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰাক্তন সাংসদ বলীন কুলী, বিধায়ক নন্দিতা দাস, উপ-সভাপতি ৰূপা দেউৰী, নৃপেন ঠাকুৰীয়া, সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ববিতা শৰ্মা, মীৰা বৰঠাকুৰ প্ৰমুখ্যে বহু নেতা-কৰ্মী উপস্থিত থাকে। শ্বহীদ দিৱস অনুষ্ঠানটোৰ লগত সংগতি ৰাখি বৰ্তমান ভাৰতবৰ্ষত গান্ধীৰ আদৰ্শৰ প্ৰাসংগিকতা বিষয়ক লৈ অনুষ্ঠিত এক প্ৰবন্ধ প্ৰতিযোগিতাৰ বঁটা বিজয়ীসকলক সন্মান প্ৰদান কৰা হয়। বি বৰুৱা মহাবিদ্যালয়ৰ ধীমান ভূঞাই এই প্ৰবন্ধ লিখা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে। মঙলদৈ মহাবিদ্যালয়ৰ মৃগাংক কলিতাই দ্বিতীয় স্থান আৰু গুৱাহাটী কলেজৰ অংকিতা ডেকাই তৃতীয় স্থান লাভ কৰে। কটন বিশ্ববিদ্যালয়ৰ অনিৰ্বাণ আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ কৃষাণু হাজৰিকাই চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰাৰ লগতে হিতেশ্বৰ শৰ্মা কলেজৰ প্ৰিয়ংকা শৰ্মাই পঞ্চম স্থান লাভ কৰে। নগদ আৰু কিতাপৰ টোপোলা আৰু স্মাৰক প্ৰদানৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই বিজয়ী প্ৰতিযোগীসকলক পুৰস্কৃত কৰে। মহাত্মা গান্ধীৰ ৭৭ সংখ্যক মৃত্যু দিৱস উপলক্ষে অনুষ্ঠিত আজিৰ এই বিশেষ অনুষ্ঠানটো পৰিচালনা কৰে কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই।

# আলফাৰ নামত ধন দাবীৰ মূল মাষ্টাৰমাইণ্ড কলীয়া জালত

**ই-সংবাদ, ডুমডুমা, ৩০ জানুৱাৰীঃ** আলফা (স্বাধীন) ৰ নামত পেঙেৰীৰ এগৰাকী ব্যৱসায়ীক ধন দাবী কৰি যোৱা ২ ডিচেম্বৰত কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত উবন গাঁৱৰ মিণ্টু মৰাণ (২৫) নামৰ ভুৱা আলফা এটা পেঙেৰী আৰক্ষীৰ জালত পৰিছিল যদিও ঘটনাৰ মূল মাষ্টাৰমাইণ্ড তথা পেঙেৰী আৰক্ষী থানাৰ অন্তৰ্গত ১ নং নলনি গাঁৱৰ সুৰজিত মৰাণ (৩৬) ওৰফে কলীয়া পলাতক অৱস্থাত আছিল। অৱশেষত কালি পেঙেৰী আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয় কলীয়াক। উল্লেখ্য যে, ধৃত কলীয়াই মিণ্টু মৰাণৰ সৈতে মিলি আলফা (স্বাধীন ৰ নামত পেঙেৰীৰ এগৰাকী ব্যৱসায়ীক ধন দাবী কৰিছিল। ব্যৱসায়ীগৰাকীৰ গোচৰৰ ভিত্তিত পেঙেৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নবীন চেতিয়াই অভিযান চলাই টঙনা আৰু কাকপথাৰ আৰক্ষীৰ সহযোগত কাকপথাৰৰ পৰা মিণ্টু মৰাণক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰাৰ বিপৰীতে পলাতক কলীয়াৰ সন্ধানত অভিযান অব্যাহত ৰাখিছিল। অৱশেষত কালি পেঙেৰী আৰক্ষীয়ে ভাৰতীয় সেনাৰ শিখ ৰেজিমেন্টৰ সহযোগত চলোৱা এক অভিযানত ডিগবৈৰ সমীপৰ বগাপানীৰ পৰা কলীয়াক আটক কৰে। পেঙেৰী আৰক্ষী থানাত ঘটনাৰ সন্দৰ্ভত ইতিপূৰ্বে ৰুজু হৈ থকা ৩৩/২৪ নম্বৰৰ গোচৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰাৰ অধীনত কলীয়াক জেল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, ধৃত তথা ভুৱা আলফা সুৰজিত মৰাণ ধনদাবী ঘটনাৰ উপৰিও পূৰ্বেও ধনদাবী আৰু অপৰাধজনিত ঘটনাতো অভিযুক্ত হৈ আছে।

# সৰাগাঁৱত কোচ ৰাজবংশী সন্মিলনীৰ চিলাৰায় দিৱসৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ৩০ জানুৱাৰীঃ** নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ উদ্যোগত আৰু ৰহা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সহযোগত বিশ্ব মহাবীৰ চিলাৰায় দিৱসটি অহা ১২ ফেব্ৰুৱাৰীত ঐতিহাসিক সৰাগাঁৱৰ সাৰ্বজনীন ৰাস মন্দিৰত দিনজোৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে আয়োজনৰ দিহা কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৮ বজাত পৰিৱেশ নিকাকৰণৰ পিছতে গছপুলি ৰোপণ কৰিব নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতি তৰুণ চন্দ্ৰ ডেকাই, ৮.৩০ বজাত পতাকা উত্তোলন কৰিব নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি প্ৰভাত বৰাই, ৯ বজাত শ্বহীদ তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি সভাপতি প্ৰভাত বৰাই। লগতে বীৰ চিলাৰায় প্ৰতিমূৰ্তিত মাল্যৰ্পণ কৰা হ'ব। ঠিক সেইদৰে ১১ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। বৰগীত, জনগোষ্ঠীয় নৃত্য আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সমাহাৰে অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথি ৰূপে বিধায়ক শশীকান্ত দাস আৰু নিৰ্দিষ্ট বক্তা হিচাপে নিবন্ধকাৰ, প্ৰবক্তা মোহিনী মোহন ডেকা উপস্থিত থাকিব। সেয়ে চিলাৰায় দিৱসৰ সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি ৰহা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক গৌতম প্ৰসাদ ডেকাকে প্ৰমুখ্য কৰি উদ্যোক্তাসকলে কামনা কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# মিছা কথাৰ... এমাহত মুখ্যমন্ত্ৰীৰ

হৈছে ৰাজ্যলৈ। গ্ৰুপটোৰ অধ্যক্ষ আদিৰেক শ্ৰীপ্ৰতকে অসম ভ্ৰমণ কৰি ২২ জানুৱাৰীত অসম সচিবালয়ৰ পশুপালন বিভাগৰ মন্ত্ৰীৰ কক্ষত এক বিশেষ বৈঠকত মিলিত হৈছিল। এই বৈঠকতে গ্ৰুপটোৰ অধ্যক্ষগৰাকীয়ে অসমত গাহৰি পালন কৰিবলৈ মন মেলিছিল। ৰাজ্য চৰকাৰে সেউজ সংকেতো দিছিল। মুখ্যমন্ত্ৰীৰ জ্ঞাতসাৰেই সকলোবোৰ হৈছিল। কিয়নো মুখ্যমন্ত্ৰী খোদ উপস্থিত আছিল এই বৈঠকত। তাৰ পিছৰে পৰা গাহৰি পালন আৰু ব্যৱসায় বহিৰাগত পুঁজিপতিক গতাব খোজাৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে অসমৰ থলুৱা গাহৰি পালকসকল। প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সংবাদমেল সম্বোধন কৰি ৩১ জানুৱাৰীৰ পিছত প্ৰতিখন গাঁৱত সদৌ অসম গাহৰি পালন সন্থাই প্ৰতিবাদ কৰাৰ কথা ঘোষণা কৰিছে। তাৰ মাজতে এই বিষয়ত সাংবাদিকে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক যেতিয়া সুধিছিল তেতিয়া মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টকৈ কৈছিল যে মই এইবোৰ শুনা নাই, খবৰো পোৱা নাই। মুখ্যমন্ত্ৰীয়ে বিষয়টোক লৈ সম্পূৰ্ণ অজ্ঞতা প্ৰকাশ কৰি কয় যে এইবোৰ মই শুনাই নাই। গাহৰিৰ ব্যৱসায় বহিৰাগত প্ৰতিষ্ঠানক গতাই দিয়াৰ কথা ক'ৰ পৰা কেনেকৈ আহিল, তাৰ বুনিয়াদ কি মই নাজানো। মই মুখ্যমন্ত্ৰী মোৰ ওচৰত কোনো খবৰ নাই। বাকী সকলোৰে ওচৰত খবৰ আছে বুলিও কয় মুখ্যমন্ত্ৰীয়ে। অসমৰ থলুৱা গাহৰি পালকসকলে বিগত প্ৰায় ১০ দিনৰ ভিতৰত কেইবাখনো সাংবাদিক মেলৰ আয়োজন কৰি এই সিদ্ধান্ত বাতিল কৰিবলৈ কৈ আহিছে। প্ৰতিবাদো সাব্যস্ত কৰিছে। কিন্তু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ত সম্পূৰ্ণ ৰূপে অজ্ঞতা প্ৰকাশ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে মুখ্যমন্ত্ৰীয়ে দেখদেখকৈ মিথ্যাচাৰৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপন হৈছে। কিয়নো যিখন বৈঠকযোগে অসমত গাহৰিৰ ব্যৱসায় থাইলেণ্ডৰ চিপি গ্ৰুপক গতাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল সেই বৈঠকত সোঁশৰীৰে উপস্থিত আছিল পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পাল। বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মা জাপানৰ পৰা উপস্থিত আছিল ভিডিঅ' কনফাৰেন্সযোগে। মুখ্যমন্ত্ৰীয়ে সিদিনা জাপানত বিনিয়োগকাৰী বিচাৰি থকাৰ সময়ত জাপানৰ টকিঅ'ৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে চিপি গ্ৰুপৰ সৈতে আলোচনাত মিলিত হৈছিল। কেৱল যে ভিডিঅ' কনফাৰেন্সযোগে চিপি গ্ৰুপৰ সৈতে আলোচনাত মিলিত হৈছে তেনে নহয়। মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কে টুইটাৰত এটা দীঘলীয়া পোষ্টো লিখিছিল। তেওঁ লিখিছিল, "অসম বিনিয়োগৰ হটস্পট হিচাপে প্ৰতিপন্ন হৈছে। টকিঅ'ত দিনটোৰ ব্যস্ততা সম্পূৰ্ণ কৰাৰ পিছতে মই থাইলেণ্ডৰ আগশাৰীৰ কৃষি কোম্পানী চাৰোয়েন পোকফাণ্ড গ্ৰুপৰ অধ্যক্ষ আদিৰেক শ্ৰীপ্ৰতকৰ সৈতে ভিডিঅ' কনফাৰেন্সত অংশ লও। মই মোৰ কেবিনেট সহকৰ্মী কৃষ্ণেন্দু পালৰ সৈতে অংশ গ্ৰহণ কৰো। কোম্পানীটোৰ নেতৃত্ব বৰ্তমান গুৱাহাটীত আছে আৰু তেওঁলোকে ৰাজ্যখনত গাহৰি আৰু কুকুৰা পালন গোট স্থাপন কৰিবলৈ আগ্ৰহী। গাহৰিৰ মাংস হৈছে ৰাজ্যখনৰ এক সাংস্কৃতিক বন্ধনপ্ৰণালী বিশ্বৰ বজাৰত প্ৰচাৰ আৰু সম্প্ৰসাৰণ হ'ব। এই উদ্যোগত নিয়োজিত আমাৰ যুৱক-যুৱতীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ উৎসাহ। দলটোৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হৈ আমি অহা মাহত এডভাণ্টেজ আছাম ২.০ সন্মিলনত তেওঁলোকৰ অংশগ্ৰহণৰ বাবে অপেক্ষাৰত।" পোষ্টটোৰ সৈতে মুখ্যমন্ত্ৰীয়ে ভিডিঅ' কনফাৰেন্সত বহা ফটো শ্বেয়াৰ কৰিছিল। কিন্তু এই একেগৰাকী মুখ্যমন্ত্ৰীয়ে এতিয়া দেখদেখকৈ মিছা মাতিছে। মই এইবোৰ শুনা নাই, খবৰো নাই বুলি কোৱা কথাযাৰিক দল-সংগঠনে সহজভাৱে ল'ব পৰা নাই। মুখ্যমন্ত্ৰীয়ে নিজেই চিপি গ্ৰুপৰ সৈতে বৈঠকত মিলিত হৈ মিছা মতাৰ অন্তৰালত কিবা অন্য ৰহস্য আছে নেকি? সমগ্ৰ বিষয়ত অজ্ঞতা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কি কথা প্ৰতীয়মান কৰিব খুজিছে সেয়া অসমৰ ৰাইজৰ বাবে সাঁথৰ হৈ পৰিছে। ইপিনে এদিন পূৰ্বে দিছপুৰ প্ৰেছ ক্লাৱত সদৌ অসম গাহৰি পালক সন্থাই এখন গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰি বিদেশী কোম্পানীক গাহৰি পালনৰ ক্ষেত্ৰখন আৰু বজাৰ গতাই দিব খোজা কাৰ্যৰ তীব্ৰ বিৰোধ কৰিছিল। সদৌ অসম গাহৰি পালক সন্থাই গাহৰি আমাৰ আৱেগ আৰু স্বাভিমান বুলি দোহাৰি কেতিয়াও অসমত গাহৰি পালন আৰু গাহৰিৰ বজাৰ থাইলেণ্ডৰ কোম্পানীক গতাই দিব নোৱাৰিব বুলি স্পষ্ট কৰে। আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰি বিদেশী বণিয়াক গাহৰি পালনৰ ক্ষেত্ৰখন গতাবলৈ পশুপালন বিভাগটো অতুল বৰাৰ হাতৰ পৰা কাঢ়ি নি কৃষ্ণেন্দু পালক দিয়া হৈছে বুলি দাবী কৰিছে। সদৌ অসম গাহৰি পালক সন্থাৰ সাধাৰণ সম্পাদক ভাৰত সন্দিকৈ, মুখ্য উপদেষ্টা প্ৰণৱ বৰগোহাঁই, কোষাধ্যক্ষ পদুম গিৰি, মুখপাত্ৰ বিতুপন গগৈয়ে সংবাদমেল সম্বোধন কৰি থলুৱাৰ হাতত থকা গাহৰি পালন ব্যৱস্থা বিদেশী বণিয়াক গতাব খোজাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। যদি চৰকাৰে পুঁজিপতিক গাহৰি পালনৰ ক্ষেত্ৰ গতাব খোজাৰ সিদ্ধান্ত সলনি নকৰে তেন্তে ৩১ জানুৱাৰীৰ পিছত থলুৱা গাহৰি পালকসকল ৰাজপথতত নামিবলৈ সাজু বুলি হুংকাৰ দিয়ে। ৩১ জানুৱাৰীৰ পূৰ্বে ৰাজ্য চৰকাৰে থাইলেণ্ডৰ ব্যৱসায়ী গোষ্ঠীক গাহৰি পালন আৰু ব্যৱসায় গতাই দিয়াৰ যি সিদ্ধান্ত সেই সিদ্ধান্ত বাতিল নকৰিলে ৩১ জানুৱাৰীৰ পৰা ৰাজ্যৰ প্ৰতিখন গাঁৱত প্ৰতিবাদ সাব্যস্ত কৰাৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীৰ মিথ্যাচাৰৰ বিষয়টোৱে ছ'চিয়েল মিডিয়াতো সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়াৰ। কেনেকৈ মুখ্যমন্ত্ৰী এগৰাকীয়ে এনেকৈ দেখদেখকৈ মিছা মাতিব পাৰে তাকে লৈ অসমৰ সচেতন নেটিজেনসকলে আশ্চৰ্য প্ৰকাশ কৰিছে। উল্লেখ্য যে, অন ৰেকৰ্ড মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বেও এনেধৰণৰ একাধিক মিছাৰ আশ্ৰয় লৈ অহাৰ উদাহৰণ অসংখ্য আছে। ২০২১ চনতো অনুৰূপ ধৰণে নিজৰ ৰাজনৈতিক কেৰিয়াৰক লৈ মিছা মাতিছিল হিমন্ত বিশ্ব শৰ্মাই। ২০২১ চনত নিৰ্বাচন নেখেলে বুলি ৰাজহুৱাকৈ কোৱা তেতিয়াৰ মন্ত্ৰী হিমন্ত বিশ্বই নিৰ্বাচন খেলাৰ লগতে মুখ্যমন্ত্ৰী পদতো অধিষ্ঠিত হৈছিল। নিজৰ কেৰিয়াৰক লৈ ৰাজহুৱাকৈ ঘোষণা কৰি থিতাতে কথা সলোৱা মানুহে অসমৰ গাহৰি পালকক লৈ কিয় মিছা মাতিব নোৱাৰিব বুলিও এতিয়া ভিন্নজনে প্ৰশ্ন উত্থাপন কৰিছে। গাহৰিৰ উপৰিও ৰেট হোল মাইনিঙত উমৰাংছুত ৯জনকৈ শ্ৰমিক নিহত হোৱাৰ পিছত অবৈধ কয়লা খননক লৈয়ো একাধিকবাৰ কথা সলাইছিল এইগৰাকী মুখ্যমন্ত্ৰীয়ে। সেয়ে মুখ্যমন্ত্ৰীৰ কথাত আস্থা হেৰুৱাই শংকিত হৈছে গাহৰি পালকসকল।

# বাৰপূজীয়াত যক্ষ্মাৰোগ নিৰ্মূল অভিযানৰ সজাগতা সভা সম্পন্ন

**ই-সংবাদ, বেৰেজীয়া, ৩০ জানুৱাৰীঃ** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ ১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযান সৈতে সংগতি ৰাখি বুধবাৰে নগাঁও জিলাৰ বাৰপূজীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এক প্ৰশিক্ষণ আৰু সজাগতা সভা অনুষ্ঠিত হয়। বাৰপূজীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মুৰব্বী তথা মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ গুণগোবিন্দ দত্তই অনুষ্ঠানটোৰ পৌৰোহিত্য কৰি যক্ষ্মাৰোগৰ বিৰুদ্ধে শতিকা শতিকা জুৰি চলি থকা মানুহৰ যুদ্ধখনৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ যক্ষ্মা মহামাৰীৰ বিৰুদ্ধে যুঁজ আৰু নিৰ্মূলকৰণৰ ব্যৱস্থাসমূহৰ লগতে জনস্বাস্থ্যৰ মান উন্নত কৰি তোলাৰ বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰে। সভাত ভাগ লৈ জিলা যক্ষ্মাৰোগ বিষয়া ডাঃ গুলজাৰ হুছেইনে উপস্থিত স্বাস্থ্যকৰ্মীসকলক নগাঁও জিলাত এশ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানখন এশ শতাংশ সফল কৰি তুলিবলৈ আহ্বান জনোৱাৰ লগতে স্বাস্থ্যকৰ্মীসকলক দৈনিক কৰা লোক পৰীক্ষণসমূহ কেনেকৈ প'ৰ্টেলত উপলব্ধ কৰা হয় তাৰ ওপৰত প্ৰশিক্ষণ আগবঢ়ায়। সভাত জিলা টিকাকৰণৰ বিষয়া ডাঃ মুকুট ডেকা, ডাঃ শংকৰ মাধৱ দাস, ডাঃ আকাশ প্ৰতীম ডেকা, ডাঃ ভূপেন্দ্ৰ সিং গৌড়, ডাঃ মৌচুমী বৰা, ডাঃ দৰিণ নাথ, ডাঃ উৎপল মজুমদাৰ, ডাঃ প্ৰতিক্ষা ডেকা, ডাঃ ময়ূৰী স্নিগ্ধা বৰাৰ লগতে বাৰপূজীয়া প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত বিভিন্ন স্বাস্থ্যকেন্দ্ৰসমূহৰ দুই শতাধিক স্বাস্থ্যকৰ্মী উপস্থিত থাকে। একেটা অনুষ্ঠানতে ৰহচলা স্বাস্থ্য উপকেন্দ্ৰৰ এ এন এম ভৱানী ডেকাক তেওঁৰ চাকৰিকাল সমাপ্ত হোৱাৰ হেতু বিদায় সম্বৰ্ধনা জনোৱা হয়। বি চি এম বাসু ডেকাই আঁত ধৰা অনুষ্ঠানটোত বিদায়ী কৰ্মচাৰীগৰাকীক শৰাই, গামোচা, বিদায়ী সম্বৰ্ধনা পত্ৰ প্ৰদান কৰাৰ অন্তত জ্যেষ্ঠ কৰ্মচাৰী দেৱ শইকীয়াই তেওঁৰ কৰ্মজীৱনৰ চমু আভাস দাঙি ধৰে।

# উদ্বোধনৰ এবছৰৰ পাছত ৰূপাইৰ ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰত চিকিৎসক নিযুক্তি

**ই-সংবাদ, ডুমডুমা, ৩০ জানুৱাৰীঃ** অৱশেষত যেন গা লৰিল চৰকাৰ তথা জিলা স্বাস্থ্য বিভাগৰ। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০২৪ বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত নিজে ফিটা কাটি শুভ উদ্বোধন কৰা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ ৰূপাইৰ শান্তিপুৰ গাওঁস্থিত ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰটি চিকিৎসকৰ অভাৱত বিগত এবছৰ ধৰি তলা ওলমি থকাৰ সন্দৰ্ভত "নিউজ নেক্সট ওৱান" কাকতত যোৱা ২০ জানুৱাৰীত "মিউজিয়ামলৈ পৰ্যবসিত ৰূপাইৰ ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰৰ নৱনিৰ্মিত ভৱন; উদ্বোধনৰ এবছৰৰ পিছতো নাহিল কোনো চিকিৎসক, ওলমি আছে এটি বৃহৎ তলা" শীৰ্ষক বাতৰি ফটোসহ প্ৰকাশ পোৱাৰ পাছতেই একপ্ৰকাৰ যেন টোপনিৰ পৰা সাৰ পালে চৰকাৰ তথা জিলা স্বাস্থ্য বিভাগ। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই একেদিনাই কেইবাটাও চৰকাৰী কাৰ্য্যসূচী হাতত লৈ তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু শদিয়া বিধানসভা সমষ্টিত উপস্থিত হৈছিল যোৱা বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত। ৰূপাইৰ শান্তিপুৰস্থিত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা এক বিশাল জনসভাত অংশগ্ৰহণ কৰা ড° শৰ্মাই মিছন বসুন্ধৰা ২.০ ৰ অধীনত ডুমডুমা সমষ্টিৰ কেবাহাজাৰ লোকক ভূমি পট্টা প্ৰদান কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰাৰ লগতে আন কেইবাটাও নতুন প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস স্থাপন কৰিছিল। বিকাশৰ বাবে এদিন, ডুমডুমাত বিকাশৰ নতুন জোৱাৰ শ্লোগানেৰে তিনিচুকীয়া জিলাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই লক্ষীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ডুমডুমা সমষ্টিৰ বিধায়ক তথা সম্প্ৰতি অসম চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ উপস্থিতিত PM - ABHIM, ২০২১-২২ বিত্তীয় বৰ্ষৰ পুঁজিৰে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন (অসম) ৰ অধীনত ৰূপায়ণ কৰা তথা প্ৰায় ৪৮,৩৮,৭৯০/- টকাৰ ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ

## ই-সংবাদ'ৰ বাতৰিৰ প্ৰভাৱ


উদ্বোধনৰ এবছৰৰ পিছতো নাহিল কোনো চিকিৎসক, ওলমি আছে এটি বৃহৎ তলা!

মিউজিয়ামলৈ পৰ্যবসিত ৰূপাইৰ ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰৰ নৱনিৰ্মিত ভৱন

কৰা ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰা আজি এবছৰ হ'ল যদিও কেন্দ্ৰটিৰ পৰা ৰাইজে চিকিৎসা সেৱা লাভৰ পৰা বঞ্চিত হৈ আহিছিল। কেন্দ্ৰটিৰ চৌহদৰ সন্মুখৰ খেলপথাৰতেই আয়োজন কৰা সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে ফিটা কাটি কেন্দ্ৰটিৰ শুভ উদ্বোধন কৰিছিল যদিও আজি এবছৰে চৰকাৰে কেন্দ্ৰটিত এগৰাকী চিকিৎসক (সামূহিক স্বাস্থ্য বিষয়া) ক নিযুক্তি দিয়াত ব্যৰ্থ হৈছিল। ২০২৩ বৰ্ষৰ ১৩ মে' ত ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই আধাৰশিলা স্থাপন কৰা কেন্দ্ৰটি ৬ মাহৰ ভিতৰতেই মাকুমৰ কল্যাণ চেতিয়া নামৰ ঠিকাদাৰগৰাকীয়ে নিৰ্মাণ সম্পূৰ্ণ কৰি উলিয়ায়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, তিনিচুকীয়া তথা জিলা স্বাস্থ্য বিভাগৰ অদূৰদৰ্শীতাৰ বাবেই আজি এটা বছৰে কেন্দ্ৰটিত তলা ওলমি আছিল। সংশ্লিষ্ট বিভাগে উপ-স্বাস্থ্য কেন্দ্ৰটিৰ বাবে প্ৰয়োজনীয় আচবাব, চিকিৎসা সঁজুলি, একাংশ যন্ত্ৰপাতিৰ ব্যৱস্থা কৰিলে যদিওঁ এতিয়াও কেন্দ্ৰটিত অভাৱ আন কেতবোৰ আনুষঙ্গিক সামগ্ৰী তথা চিকিৎসা সেৱাৰ অত্যাৱশ্যকীয় সা-সঁজুলিৰ। লগতে অভাৱ কেন্দ্ৰটিৰ চৌহদৰ পকী বেৰাৰ। দুই মহলীয়া কেন্দ্ৰটিৰ তলৰ মহলাত ৱেলনেছ ৰূম, পষ্ট ডেলিভাৰী, প্ৰী ডেলিভাৰী ৱাৰ্ড, পৰীক্ষাগাৰ, টিকাকৰণ কক্ষ, লেবাৰ ৰূম, চিকিৎসকৰ কক্ষ, চিকিৎসক-নাৰ্চ-ৰোগীৰ বাবে সুকীয়া-সুকীয়াকৈ তিনিটাকৈ টয়লেটৰ সুব্যৱস্থা থকা উপ-স্বাস্থ্য কেন্দ্ৰটিৰ ওপৰ মহলাত চি এইচ অ' গৰাকী থাকিব পৰাকৈ সুব্যৱস্থা থকাৰ পাছতো চৰকাৰে কেন্দ্ৰটিত এগৰাকী চি এইচ অ' ক নিযুক্তি দিব নোৱাৰাৰ সন্দৰ্ভত বাতৰিটোত প্ৰকাশ পোৱাৰ পাছতেই তৎপৰ হৈ পৰে জিলা স্বাস্থ্য বিভাগ। গুৰুত্বপূৰ্ণ কথা এয়ে যে, ২০২৩ বৰ্ষৰ জুন মাহতে চৰকাৰে গুৱাহাটীৰ জয়প্ৰকাশ বৰ্মন নামৰ এগৰাকী এম পি ডব্লিউ ক কেন্দ্ৰটিত নিযুক্তি দিছিল। এম পি ডব্লিউ গৰাকীয়ে ৰূপাইৰ বিষ্ণু নগৰত ১৯৯২ চনৰ পৰাই এগৰাকী আশা কৰ্মীৰ উৰুখা পজাতেই চলি অহা ঔগুৰি উপ-স্বাস্থ্য কেন্দ্ৰটিত যোগদান কৰে যদিও যোগদানৰ দুদিনৰ পাছতেই গুৱাহাটীলৈ বদলি হৈ গুচি যায়। বছৰ বছৰ ধৰি এটি উৰুখা পজাটেই চলি অহা কেন্দ্ৰটিত এগৰাকী এ এন এম নিয়োজিত হৈ অহাত কোনোমতে কেন্দ্ৰটি চলি আহিছিল যদিও অভাৱ ঘটিছিল এটি স্থায়ী পকী ভৱনৰ। কেন্দ্ৰটিৰ সম্প্ৰতি দুৰ্দশাৰ সন্দৰ্ভত বাতৰি কাকতত বাতৰি প্ৰকাশ পোৱাৰ পাছতেই সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। অৱশেষত জিলা যুটীয়া স্বাস্থ্যসেৱাৰ সঞ্চালকগৰাকীয়ে ২৭ জানুৱাৰীত জাৰী কৰা এক নিৰ্দেশনা অনুসৰি, তিনিচুকীয়া জিলাৰ কাকজানস্থিত মাইজান আয়ুষ্মান আৰোগ্য মন্দিৰত নিয়োজিত সামূহিক স্বাস্থ্য বিষয়া (চি এইচ অ') ডাঃ মৃন্ময় চাহু (আয়ুস) ৰে এতিয়াৰ পৰা সপ্তাহৰ তিনিটা দিন (সোম, বুধ আৰু শুক্ৰবাৰে) ত কেন্দ্ৰটিত উপস্থিত থাকি ৰাইজক চিকিৎসা সেৱা প্ৰদান কৰিব। পৰৱৰ্তী নিৰ্দেশনা জাৰী নোহোৱা পৰ্যন্ত সম্পূৰ্ণ অস্থায়ী ভিত্তিত চিকিৎসক গৰাকীক কেন্দ্ৰটিত নিযুক্তি দিয়াৰ কথাও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। বৃহত্তৰ ঔগুৰি অঞ্চলৰ ৰাইজে এবছৰৰ পাছত কেন্দ্ৰটিত চিকিৎসক নিযুক্তি দিয়াত কিছু সকাহ অনুভৱ কৰিছে যদিও কেন্দ্ৰটিত স্থায়ী চিকিৎসক নিযুক্তি দিবলৈ চৰকাৰক আহবান জনাইছে।

# 'ভূপেন দা তোমাৰ যে তুলনা নাই' শীৰ্ষক গ্ৰন্থ উন্মোচন

**ই-সংবাদ মহানগৰ সেৱা, ৩০ জানুৱাৰীঃ** অৱসৰপ্ৰাপ্ত সামৰিক বিষয়া তথা অসমৰ এগৰাকী বিশিষ্ট লেখক বীৰেণ বৰগোহাঁইৰ সংক্ষিপ্ত শব্দৰে লিখা "ভূপেন দা তোমাৰ যে তুলনা নাই" আৰু "মিহলি ফুলৰ শৰাই" শীৰ্ষক দুখন গ্ৰন্থ বৃহস্পতিবাৰে গুৱাহাটী প্ৰেছ ক্লাবত উন্মোচন কৰা হয়। ড° ভূপেন হাজৰিকাৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধা আৰু প্ৰীতিৰ প্ৰতিফলন স্বৰূপে বীৰেণ বৰগোহাঁইয়ে এই গ্ৰন্থ দুখন ৰচনা কৰিছে। উন্মোচনী সভাত আদৰণি ভাষণ প্ৰদান কৰি বিশিষ্ট লেখকগৰাকীয়ে কয় যে, ভূপেন হাজৰিকাৰ সৈতে তেওঁৰ সান্নিধ্য আৰু ঘনিষ্ঠতা, গণশিল্পীগৰাকীৰ গীত-কথাৰ লগতে তেওঁক লগ পোৱাৰ সৌভাগ্যই বৰগোহাঁইক বাৰুকৈয়ে মুগ্ধ কৰিছিল আৰু তাৰে পৰিপ্ৰেক্ষিতত তেওঁৰ মনত ক্ৰিয়া কৰিছিল ভূপেন হাজৰিকাৰ বিষয়ে এখন গ্ৰন্থ ৰচনা কৰাৰ। তেওঁৰ কৰ্মজীৱনত প্ৰখ্যাত শিল্পীগৰাকীৰ সান্নিধ্যই কেনেদৰে প্ৰভাৱ তথা অনুপ্ৰেৰণা যোগাইছিল আৰু তেওঁৰ দেশপ্ৰেমে কিদৰে সকলোৰে জীৱন জীপাল কৰি তুলিছিল, সেই বিষয়ে তেওঁ এই গ্ৰন্থখনত সন্নিৱিষ্ট কৰাৰ কথা উল্লেখ কৰে। তদুপৰি, এই গ্ৰন্থখনে পাঠক সমাজক ড° ভূপেন হাজৰিকাৰ বিষয়ে অধিক জনাত নিশ্চয়কৈ সহায় কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।বিশিষ্ট সংগীত শিল্পী মণিষা হাজৰিকাই উক্ত গ্ৰন্থখন উন্মোচন কৰি ভূপেন হাজৰিকাৰ অসমৰ প্ৰতি অৱদান তথা অসমীয়া ভাষাৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধা আৰু দুৰ্বলতাৰ বিষয়ে বিৰবিৰ কয়। আনহাতে, অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেল পূৰ্ণানন্দ দাসে উন্মোচন কৰা দ্বিতীয়খন গ্ৰন্থ "মিহলি ফুলৰ শৰাই"ৰ সন্দৰ্ভত বিশিষ্ট লেখক ড° ধৰণী লাহনে কয় যে, বীৰেণ বৰগোহাঁইৰ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত ৰচনা কৰা গ্ৰন্থখনত বিচিত্ৰ ৰঙৰ ফুলৰ সুবাস ঘটিছে। উল্লেখ্য যে, অৱসৰপ্ৰাপ্ত সামৰিক বিষয়া বীৰেণ বৰগোহাঁইয়ে ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত ভাৰতীয় সৈন্য বাহিনীৰ এগৰাকী সক্ৰিয় সদস্যৰূপে প্ৰদৰ্শন কৰা অদম্য সাহস, বীৰত্ব আৰু দেশপ্ৰেমৰ স্বীকৃতি স্বৰূপে অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০২২ বৰ্ষত প্ৰশস্তি পত্ৰ প্ৰদানেৰে সন্মানিত কৰিছিল। চিম্পী গগৈয়ে আঁতধৰা উক্ত অনুষ্ঠানটোত সভাপতিত্ব কৰে ৰাজীৱ পানী ফুকনে। অনুষ্ঠানটোত সুধাকণ্ঠৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক থকা ৰূপম তালুকদাৰৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

# অসমীয়াত ভইচ টাইপিঙৰ সুবিধা! ‘আখৰ ডট ইন’ শীৰ্ষক বিশেষ এপ মুকলি

**ই-সংবাদ মহানগৰ সেৱা, ৩০ জানুৱাৰীঃ** কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ এআইয়ে বৰ্তমান সময়ত আমাৰ জীৱনধাৰণত এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছে। বিজ্ঞানী আৰু অভিযন্তাসকলে ইতিমধ্যে এআই প্ৰণালীসমূহক বৃহৎ পৰিমাণৰ তথ্য প্ৰদান কৰি প্ৰশিক্ষণ দিয়াৰ উপৰিও এই ক্ষেত্ৰত বিভিন্ন উদ্ভাৱনীমূলক কাম কৰি আছে। তাৰে সমান্তৰালকৈ, অসমৰ দুই যুৱক তথা ভাতৃদ্বয়ে অসমীয়া ভাষাক প্ৰাধান্য দি উদ্ভাৱন কৰিলে এক বিশেষ এআই সঁজুলি। সংৰক্ষণ, প্ৰচাৰ আৰু সুৰক্ষাক প্ৰধান বিষয়বস্তু হিচাপে লৈ ইন্দ্ৰনীল তালুকদাৰ আৰু কাব্যনীল তালুকদাৰ নামৰ ভাতৃদ্বয়ে সাজি উলিয়াইছে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা পৰিচালিত এই বিশেষ এপটো। বৃহস্পতিবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত কাব্যনীল তালুকদাৰে কয় যে, বহু সময়ত প্ৰায় সংখ্যক লোকৰ বাবে অসমীয়া ভাষাত লিখিবলৈ কঠিনতা হয়, সেয়া চিন্তা কৰি জনসাধাৰণৰ সুবিধাৰ্থে এই উদ্ভাৱনীমূলক সঁজুলি তৈয়াৰ কৰা হৈছে। এই এপ্লিকেচনে ব্যৱহাৰকাৰীসকলক ইংৰাজী কীবৰ্ড ব্যৱহাৰ কৰি অসমীয়া ভাষাত লিখিবলৈ সহায় কৰাৰ লগতে প্ৰতিটো শব্দৰ বানানৰ শুদ্ধতা পৰীক্ষা কৰাৰ সুবিধাও প্ৰদান কৰে, আৰু ভইচ টাইপিংৰ সুবিধা সমৰ্থন কৰে। তদুপৰি, এই উদ্ভাৱনীমূলক সঁজুলিয়ে উত্তৰ-পূব




ভাৰতৰ ভাষাসমূহৰ অগ্ৰগতিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপৰ প্ৰতিনিধিত্ব কৰাৰ কথাও উল্লেখ কৰা হয়। আখৰ ডট ইন (Aakhor.in) নামেৰে গুগল প্লেষ্ট'ৰত উপলব্ধ এই এপটো বিশেষভাৱে সক্ষম লোকৰ বাবেও ব্যৱহাৰযোগ্য, আৰু ইন্টাৰনেট অবিহনেও সকলোৱে ইয়াক ব্যৱহাৰ কৰিব পাৰিব। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াই এই এপ্লিকেচনটোৰ শুভ উদ্বোধন কৰি দুই যুৱকৰ প্ৰচেষ্টাক তথা নৱপ্ৰজন্মৰ এনে উৎসাহজনক কাৰ্যকলাপক শলাগ জনাই অসমীয়া ভাষাৰ গুৰুত্বৰ বিষয়েও ৰাইজৰ আগত অৱগত কৰে। অসীম কৃষ্ণ বৰুৱাই আঁত ধৰা আৰু হৰিপ্ৰসাদ তালুকদাৰে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° হিটেন চৌধুৰী, দৈনিক জনমভূমি কাকতৰ মুখ্য সম্পাদক সঞ্জীৱ ফুকন, নিয়মীয়া বাৰ্তা কাকতৰ মুখ্য সম্পাদক নৰেশ কলিতা, কটন বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ সহঃ অধ্যাপিকা ড° কংকনা বৰা আৰু দৈনিক অসমৰ জ্যেষ্ঠ সাংবাদিক পুলিন কলিতা উপস্থিত থাকে।

# কাছাৰৰ ধলাইত ২ সন্তানৰ মাতৃক ধৰ্ষণ, ধৃত লম্পট

**ই-সংবাদ, ৩০ জানুৱাৰীঃ** বৰাক উপত্যকাৰ কাছাৰ জিলাৰ ধলাই থানাৰ অন্তৰ্গত এখন গাঁৱত দুই সন্তানৰ সন্মুখতে বলাৎকাৰৰ বলি হ'ল এগৰাকী ৩০ বৰ্ষীয় মহিলা। এই ঘটনা পোহৰলৈ অহাৰ পিছতে পুনৰ এবাৰ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। ধৰ্ষণৰ এই নৃংশক ঘটনাটোক লৈ চৰ্চা আৰম্ভ হৈছে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো। বিবিচিৰ দৰে সংবাদ প্ৰতিষ্ঠানে সবিস্তাৰে প্ৰকাশ কৰিছে এই নৃশংস ঘটনা। মহিলাগৰাকীৰ চুবুৰীয়া ২৮ বৰ্ষীয় বদৰুল ইছলামৰ বিৰুদ্ধে উত্থাপন হৈছে এই ধৰ্ষণকাণ্ড আৰু হত্যাৰ অপচেষ্টাৰ অভিযোগ। ভুক্তভোগীৰ স্বামীৰ অভিযোগ অনুসৰি, ধৰ্ষণকাৰীয়ে কেৱল নিৰ্যাতন চলোৱাতে থমকি নৰৈ মহিলাগৰাকীৰ শৰীৰত নিক্ষেপ কৰিছিল এচিডৰ দৰে বিষাক্ত তৰল পদাৰ্থ। বৰ্তমান সংকটজনক অৱস্থাত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত জীৱন-মৃত্যুৰ সৈতে যুঁজিছে মহিলাগৰাকীয়ে। ইফালে, এই ঘটনাৰ পিছৰে পৰা অভিযুক্ত বদৰুল ইছলাম পলাতক হৈ আছিল যদিও শেহতীয়াকৈ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে গ্ৰেপ্তাৰৰ পিছত অভিযুক্তই নিজকে নিৰ্দোষী বুলি দাবী কৰি মহিলাগৰাকীৰ স্বামীৰ বিৰুদ্ধেহে প্ৰত্যাভিযোগ তোলে। এই ঘটনা সংঘটিত হৈছিল ২২ জানুৱাৰীত। কিন্তু ভুক্তভোগী মহিলাগৰাকীৰ স্বামীয়ে সংবাদ মাধ্যমৰ সন্মুখত ন্যায়ৰ দাবী তোলাৰ পিছত ২৪ জানুৱাৰীতহে ঘটনাটো পোহৰলৈ আহে। স্বামীৰ অভিযোগ অনুসৰি, অভিযুক্ত বদৰুলে দীৰ্ঘদিন ধৰি মহিলাগৰাকীক হাৰাশাস্তি কৰি আহিছিল। ২১ জানুৱাৰীৰ নিশা তেওঁ পোনপটীয়াকৈ মহিলাগৰাকীৰ ফোন নম্বৰ বিচাৰিছিল। যেতিয়া মহিলাগৰাকীয়ে নিজৰ নম্বৰ দিবলৈ অস্বীকাৰ কৰে, তেতিয়া অভিযুক্তই ভাবুকি প্ৰদান কৰে। ইয়াৰ পিছতে পিছদিনা নিশা সংঘটিত হয় এই নৃশংস ঘটনা। মহিলাগৰাকীৰ স্বামীৰ অভিযোগ অনুসৰি, অভিযুক্তই বলপূৰ্বকভাৱে ঘৰত প্ৰৱেশ কৰি মহিলাগৰাকীৰ হাত-ভৰি বান্ধি দুই সন্তানৰ সন্মুখত ধৰ্ষণ কৰি এচিড ঢালি দিছিল।

# সমাজকৰ্মী পোনা হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৩০ জানুৱাৰীঃ** নগাঁও জিলাৰ বটদ্ৰৱা নৰোৱা সত্ৰৰ মুক্তিয়াৰ, সমাজকৰ্মী তথা বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পোনা হাজৰিকাৰ যোৱা ১৮ জানুৱাৰীত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। গুৰুজনাৰ একান্ত সেৱক, সৰবৰহী, ধৰ্মপৰায়ণ তথা শিল্পপ্ৰাণ ব্যক্তি পোনা হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে বুধবাৰে বটদ্ৰৱা বৰহিছা গাঁৱৰ তেওঁৰ বাসগৃহত আদ্যশ্ৰাদ্ধ উপলক্ষে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত বটদ্ৰৱা থানৰ ভকত পদৰাম বৰা, বনমালী কলিতা, ভদ্ৰ গায়ন, প্ৰদীপ গোস্বামী, বদন কলিতা, বীৰেন্দ্ৰ বৰা, বাপ গায়ন, ভোগেশ্বৰ বৰা, বাপাৰাম দেউৰী, ডিম্বেশ্বৰ বৰা, সুৰেন্দ্ৰ দেউৰীকে আদিকে ধৰি বহুকেইজন ব্যক্তিয়ে প্ৰয়াত হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদি তেওঁৰ আদৰ্শ আৰু কৰ্মৰাজিৰ গভীৰভাৱে স্মৰণ কৰে। গাম্ভীৰ্যপূৰ্ণ উক্ত অনুষ্ঠানতে 'পূৰ্ণাঞ্জলি' শীৰ্ষক এখনি স্মৰণিকা উন্মোচন কৰা হয়। অনুষ্ঠানত বহু সংখ্যক ভকত-বৈষ্ণৱ, আইমাতৃৰ লগতে প্ৰয়াত হাজৰিকাৰ পত্নী চুনু প্ৰভা হাজৰিকা, প্ৰাঞ্জল হাজৰিকা, ত্ৰৈলোক্য বৰুৱা, কাশ্যপ হাজৰিকাকে প্ৰমুখ্য কৰি শতাধিক লোক উপস্থিত থাকে।

## তামুলপুৰৰ কালঝাৰত ইউপিপিএলৰ যোগদান কাৰ্যসূচী

**ই-সংবাদ, তামুলপুৰ, ৩০ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ কালঝাৰত আজি ইউপিপিএল দলৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। ৪ নং দক্ষিণ কুমাৰীকাটা প্ৰাইমাৰী সমিতিৰ সভাপতি গোবিন্দ দাসে আঁত ধৰা সভাত ইউপিপিএল দলৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ শতাধিক লোকে ইউপিপিএল দলত যোগদান কৰে। এই যোগদান কাৰ্যসূচীত উপস্থিত হৈ তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে সকলোকে দললৈ উষ্ম আদৰণি জনায় আৰু তেওঁ কয় যে প্ৰমোদ বড়োৰ চৰকাৰৰ দিনত বিটিআৰত উন্নয়ন আৰু শান্তিৰ বতাহ বলিছে। প্ৰমোদ বড়োৰ নেতৃত্বত আমি সকলোৱে মিলি কাম কৰি আছো। দৈমাৰীয়ে কালঝাৰ গাঁৱত থকা দুটা মছজিদক এই বছৰৰ ভিতৰত তিনি লাখকৈ টকা আৰ্থিক অনুদান দিয়াৰ কথা ঘোষণা কৰে। তেওঁ কয় যে আজিৰ দিনত আপোনালোকৰ কাৰণে এক মাত্ৰ প্ৰমোদ বড়োয়ে শান্তি আনিব পাৰিছে। এই যোগদান কাৰ্যসূচীত তামুলপুৰ জিলা ইউপিপিএলৰ সম্পাদক বানেশ্বৰ বড়ো, দৰঙাজুলি ব্লক ইউপিপিএলৰ সভাপতি ৰাফেল দৈমাৰী, সম্পাদক গীতানন্দ নাৰ্জাৰী, ২৬ নং দৰঙাজুলি টিচিএলচিচিৰ অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰী, সুজন পাল, তামুলপুৰ জিলা ইউপিপিএলৰ উপ-সভাপতি অঞ্জন বড়ো, ইউপিপিএল নেতা টংক থাপাৰ লগতে কেইবাগৰাকী ইউপিপিএলৰ নেতা-কৰ্মী উপস্থিত থাকে।

## নাজিৰাৰ লক্ষ্মীজানত অবৈধ শিল খনন

**ই-সংবাদ, নাজিৰা, ৩০ জানুৱাৰীঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত শৈল নগৰী বিহুবৰ-লক্ষ্মীজানত দীৰ্ঘদিন ধৰি অবৈধভাৱে শিল খনন কৰি ৰমৰমীয়া বেহা অব্যাহত ৰাখিছে। এই অবৈধ শিল খনন আৰু ৰমৰমীয়া বেহা শাসকীয় বিজেপি দলৰ একাংশ নেতা-পালিনেতাৰ পৃষ্ঠপোষকতাতেই দীৰ্ঘদিন ধৰি চলি অহাৰ বিষয়ে বিভিন্ন সময়ত সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। ইয়াৰ পিছতো চৰকাৰ তথা বন বিভাগৰ শীৰ্ষ বিষয়াই এই অবৈধ শিল খনন আৰু ৰমৰমীয়া বেহা বন্ধ কৰিবলৈ সক্ষম হোৱা নাই তথা এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। এই অবৈধ শিল খনন আৰু ৰমৰমীয়া বেহাৰ বিষয়ে বিগত সময়ত নাজিৰা সমষ্টিৰ বিধায়ক তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিধানসভাৰ মজিয়াত তথ্য সহকাৰে উত্থাপন কৰিছিল যদিও চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে এই অবৈধ শিল খনন-ব্যৱসায় বন্ধ কৰাৰ দাবীত বহুবাৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক স্মাৰক পত্ৰ প্ৰদান কৰি আহিছে। ইয়াৰ পিছতো নিৰ্বিকাৰ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষ। অৱশেষত আজি পুৱাৰ ভাগত লক্ষ্মীজান খণ্ড বন বিষয়া তপন কুমাৰ গগৈৰ নেতৃত্বত বন বিভাগে ২ নং কুঁৰেৰীত ফ্ৰকলেণ্ড লগাই অবৈধভাৱে শিল খনন কৰি থকা অৱস্থাত এখন ফ্ৰকলেণ্ডসহ ৫ খন শিল ভৰ্তি ডাম্পাৰ জব্দ কৰে।

## ছিপাঝাৰত সদৌ অসম গৰিয়া পৰিষদৰ সংবাদমেল

# বিজেপি চৰকাৰে খিলঞ্জীয়া গৰিয়াসকলৰ সমস্যাক গুৰুত্ব দিয়া নাই

**ই-সংবাদ, ছিপাঝাৰ, ৩০ জানুৱাৰীঃ** বিজেপি চৰকাৰে বিগত সময়ছোৱাত অসমৰ খিলঞ্জীয়া জনগোষ্ঠী গৰিয়াসকলক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত গৰিয়া জনগোষ্ঠীৰ লোকসকল আশা কৰা ধৰণে উপকৃত নহ'ল। একেদৰে ৰাজ্যত বিজেপি চৰকাৰ গঠনৰ আঁৰত গৰিয়াসকলৰ যথেষ্ট ভূমিকা আছে। কংগ্ৰেছৰ স্বজন-তোষণ ৰাজনীতিত অতীষ্ঠ হৈ সমঅধিকাৰ আৰু উন্নয়নৰ স্বাৰ্থত গৰিয়াসকলেও বিজেপিক ভোট দিছে। কিন্তু বিজেপিয়ে একেৰাহে ন টা বছৰ চৰকাৰ চলাই থকাৰ পাছতো খিলঞ্জীয়া গৰিয়াসকলৰ সমস্যাই গুৰুত্ব পোৱা নাই।- এই মন্তব্য সদৌ অসম গৰিয়া পৰিষদ, দৰং জিলা সমিতিৰ একাংশ বিষয়ববীয়াৰ। উল্লেখ্য যে, বৃহস্পতিবাৰে ছিপাঝাৰ সাহিত্য স্মৃতি ভৱনত এক সংবাদমেল সম্বোধন কৰি তেওঁলোকে ক্ষোভ ব্যক্ত কৰি কয় যে মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ খিলঞ্জীয়া গৰিয়াসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে যি জনগণনাৰ কাম আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিছিল সেয়াও এতিয়া গেঠেলা মাৰিছে। বিজেপি চৰকাৰে শিল্পী পেঞ্চন, সাহিত্যিক পেঞ্চন আদি প্ৰদানৰ নামতো স'ততে জনগোষ্ঠীটোৰ লোকসকলক উপেক্ষা কৰি আহিছে। আনকি চাকৰি, অৰুণোদয় আঁচনিকে ধৰি সকলোবোৰ চৰকাৰী আঁচনিতে উপেক্ষা কৰি আছে জনগোষ্ঠীটোক। খিলঞ্জীয়াৰ জাতি, মাটি, ভেটি সুৰক্ষাৰ শ্ল'গান আওৰোৱা চৰকাৰখনে বসুন্ধৰা আঁচনিতো অৱজ্ঞা কৰিলে গৰিয়াসকলক। ইয়াৰ উপৰি সংবাদমেলত মুখ্যমন্ত্ৰীৰ প্ৰতি অসম গৰিয়া পৰিষদৰ নেতৃত্বই অভিযোগ কৰি কয় যে হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱা সময়ত কোনো এজন খিলঞ্জীয়া গৰিয়াক কোনো নিগম-নিকায়ৰ অধ্যক্ষ নাপাতিলে। বিজেপি দলত দীৰ্ঘদিন ধৰি কাম কৰি থকা গৰিয়া জনগোষ্ঠীৰ লোকসকলে যি ধৰণে অগ্ৰাধিকাৰ পাব লাগিছিল সেয়াও নাপালে। সেয়ে এই সংবাদমেল যোগে জনগোষ্ঠীটোৰ লোকসকলক সকলো ক্ষেত্ৰতে অগ্ৰাধিকাৰ দিয়াৰ লগতে জনগোষ্ঠীটোৰ বাবে সকলো ক্ষেত্ৰতে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ গৰিয়া পৰিষদৰ নেতৃত্বই মুখ্যমন্ত্ৰীক আহ্বান জনায়। অন্যথা ভৱিষ্যতলৈ তেওঁলোকে বিজেপিৰ সংগ ত্যাগ কৰিব বুলিও মন্তব্য কৰে। সংবাদমেলতে জনগোষ্ঠীটোৰ সমস্যাসমূহ সমাধানৰ বাবে মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদানৰ সিদ্ধান্ত উল্লেখ কৰে। সংবাদমেলখনত উপস্থিত থাকে অসম গৰিয়া পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি চৈয়াদুৰ ৰহমান, কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰহমচা আলী, বিত্তীয় সম্পাদক চৈয়দ আব্দুল্লাহ, দৰং জিলা সমিতিৰ মুখ্য উপদেষ্টা আব্দুল আলী, সম্পাদক ৰফিকুল হুছেইন প্ৰমুখ্যে পৰিষদৰ ভালেকেইগৰাকী কৰ্মকৰ্তা।

# ৰবৈয়া জানত অবৈধভাৱে নিৰ্মাণ কৰা দলং ভাঙি চূৰ্ণাকৃত যোৰহাট জিলা প্ৰশাসনৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩০ জানুৱাৰীঃ** যোৰহাট পশ্চিম অঞ্চলৰ সৰুচৰাই মৌজাৰ পৰ্বতীয়া ৰাজহ গাঁৱত ৰবৈয়া জানৰ ওপৰত অবৈধভাৱে নিৰ্মাণ কৰা পকী দলংখন ৩০ জানুৱাৰীত যোৰহাট জিলা প্ৰশাসনৰ বিষয়াৰ উপস্থিতিত জেচিবি আৰু ফকলেনে ভাঙি চূৰ্ণাকৃত কৰে। উল্লেখ্য যে, সৰুচৰাই পৰ্বতীয়া গাঁৱৰ সন্তান, বৰ্তমান আমেৰিকাৰ নিবাসী গোস্বামী পৰিয়ালৰ পৰা ভূ-মাফিয়া চক্ৰই বহু বিঘা ভূমি ক্ৰয়ৰ বাবে চুক্তি কৰি সেই ভূমিলৈ যাতায়াত কৰিবৰ বাবে সৰুচৰাই-চেঙেলিআটী পকী পথৰ পৰা উক্ত ভূমি খণ্ডলৈ যাতায়াত কৰিবৰ বাবে এটা কেঁচা পথ নিৰ্মাণ কৰাৰ লগতে বিভাগীয় অনুমতি বিহীনভাৱে সেই অংশৰে বৈ যোৱা ৰবৈয়া জানটোৰ ওপৰত অতি ঠেককৈ পকী পুল সদৃশ এখন দলং নিৰ্মাণ কৰে। দক্ষিণ দিশৰ ঢেকিয়াজুলিৰ পৰা জামুগুৰি, ৰবৈয়া ফিল্ড, লহপহীয়া, পকীমুৰি, নেইষ্ট, সাহপুৰীয়া, পৰ্বতীয়া, চাৰিঙীয়া, কাঠনি হৈ ভোগদৈত সংলগ্ন হোৱা ৰবৈয়া জানটোত অবৈধভাৱে পকী পুলটো নিৰ্মাণ কৰাত বিগত বাৰিষাত পশ্চিম যোৰহাট অঞ্চলটো জলমগ্ন হৈ পৰিছিল। অঞ্চলটোৰ পানী বৈ যোৱাত বাধা হোৱাৰ বাবেই এই জল প্ৰলয়ৰ সৃষ্টি হৈছিল। স্থানীয় সাংবাদিকসকলে অবৈধভাৱে নিৰ্মাণ কৰা পকী পুলটোৰ লগতে জলমগ্নৰ আলোকচিত্ৰৰে বাতৰিকাকতসমূহত বাতৰি পৰিৱেশন কৰাৰ লগতে যোৰহাট পশ্চিম ৰাজহ চক্ৰ বিষয়া আৰু জিলা আয়ুক্তক আলোকচিত্ৰসহ বাতৰিৰ প্ৰতিলিপিৰ লগতে লিখিতভাৱেও অৱগত কৰিছিল। ইফালে, এটা স্বেচ্ছাসেৱী সংগঠনেও জিলা আয়ুক্তক লিখিতভাৱে জনাইছিল। ৰাজহুৱা স্বাৰ্থজড়িত বিষয়টোত জিলা আয়ুক্তই সংশ্লিষ্ট বিভাগসমূহৰ দ্বাৰা অনুসন্ধান কৰাই পুল সদৃশ পকী দলংখন অবৈধভাৱে নিৰ্মাণ হোৱা বুলি প্ৰমাণিত হোৱাত যোৱা ২১ জানুৱাৰীত জিলা আয়ুক্তই উক্ত দলংখন ভাঙি পেলাবলৈ নিৰ্দেশ দিয়াৰ লগতে ভাঙি পেলোৱাৰ বাবদ হ'বলগীয়া সমুদায় খৰচ চৰকাৰী বেংক হিচাপত জমা দিবলৈ নিৰ্মাণকাৰী ব্যক্তি দুগৰাকীলৈ নিৰ্দেশ দিছিল। সেই নিৰ্দেশনাৰ অনুসৰি ২৮ জানুৱাৰীত সদলবলে স্থানীয় আৰক্ষী, জিলা প্ৰশাসনৰ লোক, গাঁওবুঢ়া আৰু যোৰহাট পশ্চিম ৰাজহ চক্ৰ বিষয়া উক্ত স্থলীত উপস্থিত হৈ জেচিবিৰে পকী পুল তথা দলংখন ভঙাৰ নাটক কৰিছিল। ইফালে, নিৰ্মাণকাৰী ভূ-মাফিয়া ব্যক্তিকেইগৰাকীয়ে স্থানীয় অধিবক্তাৰ লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তাৰ সৈতে যোগাযোগ কৰি যোৰহাট জিলা আয়ুক্তই দিয়া নিৰ্দেশটো নাকচ কৰাৰ চেষ্টা চলাইছিল। সেয়ে ২৯ জানুৱাৰীত বিভিন্ন অজুহাত দেখুৱাই জিলা প্ৰশাসনৰ লোকে দলংখন ভঙাৰ বাবে কোনো ব্যৱস্থাই নকৰাত সন্ধিয়া সময়ত স্থানীয় সাংবাদিকে ৩০ তাৰিখৰ ভিতৰত আয়ুক্তৰ নিৰ্দেশমতে দলংখন ভঙাৰ ব্যৱস্থা নকৰিলে সকলো প্ৰচাৰ মাধ্যমৰ জৰিয়তে বাতৰি প্ৰকাশৰ পৰিকল্পনা কৰাৰ বিষয়ে সৰ্বত্ৰে মৌখিকভাৱে প্ৰচাৰ হোৱাত উপায়বিহীন হৈ নিশাই যোৰহাট পশ্চিম ৰাজহ চক্ৰ বিষয়াই জেচিবি আৰু ফকলেন লৈ উক্ত স্থানত উপস্থিত হয় আৰু দলং ভঙাৰ কাৰ্য আৰম্ভ কৰে। শেষত আয়ুক্তৰ নিৰ্দেশনাটোত উল্লেখ থকা দিনটোৰ বিয়লিৰ সময়ত ৰবৈয়া জানত অবৈধভাৱে ভূ-মাফিয়া চক্ৰই নিৰ্মাণ কৰা পকী পুল সদৃশ দলংখন ভাঙি চূৰ্ণাকৃত কৰে প্ৰশাসনে।

# ৰঙিয়াত ঔঃ প্ৰঃ প্ৰতিষ্ঠান এডুটেক ইনষ্টিটিউট অৱ টেকন'লজিৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ৰঙিয়া, ৩০ জানুৱাৰীঃ** ৰঙিয়াৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান এডুটেক ইনষ্টিটিউট অৱ টেকন'লজিৰ প্ৰতিষ্ঠা দিৱস আৰু দক্ষতা সমাৰোহৰ সামৰণি অনুষ্ঠান বৃহস্পতিবাৰে উলহ-মালহৰে উদযাপন কৰা হয়। পুৱাৰ ভাগত পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ ডিজুৰান আহমেদে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰে পৰিচালন সঞ্চালক ধ্ৰুৱজ্যোতি কলিতাই। গছপুলি ৰোপণৰ পিছতে প্ৰতিষ্ঠা দিৱসৰ বিশেষ অনুষ্ঠান উদ্বোধন কৰে এমট্ৰ'নৰ উপ-প্ৰৱন্ধক তথা সংস্কৃতিৰ দাপোণ কাকতৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থই। উদ্বোধনী ভাষণ প্ৰসংগত সাম্প্ৰতিক সময়ত কাৰিকৰী প্ৰশিক্ষণৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি প্ৰশিক্ষাৰ্থীসকলক ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ বাবে যত্ন আৰু চেষ্টা অব্যাহত ৰখাৰ বাবে আহ্বান জনায়। অধ্যয়নৰ সমান্তৰালভাৱে অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ তথা কাৰিকৰী বিদ্যাৰ প্ৰশিক্ষণে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ গঢ় দিব পাৰিব বুলি দৃঢ় মত পোষণ কৰে উদ্বোধকগৰাকীয়ে। সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চনে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি-সম্পাদকদ্বয় ক্ৰমে প্ৰকাশ ডেকা আৰু তৰণীচৰণ কলিতা, বিশিষ্ট পৰিচালক পংকজ পল্লৱ শৰ্মা, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমান, ৰণদিয়া শতদল সাহিত্য সভাৰ সম্পাদক উজ্জ্বল ডেকা, ছাত্ৰ নেতা তথা সদৌ অসম কবি মঞ্চৰ যুটীয়া সম্পাদক চাকিল আহমেদকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি বক্তব্য আগবঢ়ায়। একেখন মঞ্চতে ৰূপায়িত কাৰ্যসূচীৰ অংশ হিচাপে দক্ষতা সমাৰোহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়। বিয়লিৰ ভাগত জনপ্ৰিয় কণ্ঠশিল্পী নিয়ৰ পৰশ আৰু কুমাৰ তপনৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানে সমবেত লোকসকলক বিশেষভাৱে আপ্লুত কৰে।



ৰঙিয়াৰ দলৈগাৱত ডাম্পাৰ আৰু যাত্ৰীবাহী বাছৰ মুখামুখি সংঘৰ্ষ, ফটোঃ ই-সংবাদ, ৰঙিয়া

# শিৱসাগৰত সৰুপথাৰৰ সাংবাদিক তুলসী চুতীয়াক আব্দুল ৰফিক সোঁৱৰণী ৰাজ্যিক বঁটা প্ৰদান

**ই-সংবাদ, সৰুপথাৰ, ৩০ জানুৱাৰীঃ** অসমৰ মফচলীয় সাংবাদিকসকলৰ চৰকাৰী পঞ্জীয়নভুক্ত সংগঠন 'আপকু'ৰ শিৱসাগৰ জিলা সমিতিয়ে কোঁৱৰপুৰ প্ৰেছ ক্লাবৰ সহযোগত শান্তিপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত আজি আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'অসমীয়া খবৰ' আৰু 'আমাৰ অসম' কাকতৰ সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিক তুলসী চুতীয়াক 'আব্দুল ৰফিক সোঁৱৰণী ৰাজ্যিক বঁটা' প্ৰদান কৰে। উল্লেখ্য যে, 'আপকু'ৰ শিৱসাগৰ জিলা সমিতিয়ে কোঁৱৰপুৰ প্ৰেছ ক্লাবৰ সহযোগত বিগত বহু বছৰ ধৰি সমাজ-জীৱনলৈ অনবদ্য অৱদান আগবঢ়াই অহা বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিক বিভিন্ন বঁটা প্ৰদান কৰি আহিছে। এইবাৰো শিৱসাগৰ 'আপকু'-এ বিভিন্ন ক্ষেত্ৰৰ বহুকেইজন বিশিষ্ট ব্যক্তিক এখন বিশেষ জুৰি ব'ৰ্ডে নিৰ্বাচিত কৰি ৰাজ্যিক ভিত্তিত বিভিন্ন বঁটা প্ৰদান কৰে। 'আপকু'ৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি পদুম শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত বহু বিশিষ্ট ব্যক্তিৰে পৰিপূৰ্ণ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সৰুপথাৰৰ জেষ্ঠ সাংবাদিক তুলসী চুতীয়াক 'আব্দুল ৰফিক সোঁৱৰণী ৰাজ্যিক বঁটা', যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক দিগন্ত বুঢ়াগোহাঁই আৰু গুৱাহাটীৰ মৌচুম জ্যোতি বৈশ্যক 'কমলা শইকীয়া সোঁৱৰণী বঁটা', ডিব্ৰুগড়ৰ মনোজ সিঙক 'সংবাদ জ্যোতি বঁটা', চেপনৰ সাংবাদিক শৰৎ শেনছোৱাক 'কৰুণা দত্ত সোঁৱৰণী বঁটা' প্ৰদান কৰাৰ লগতে আন কেবাগৰাকী বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিক বিভিন্ন বঁটা প্ৰদান কৰা হয়।

# নাজিৰা আৰক্ষীৰ জালত হাতীদাঁতসহ এজন লোক

**ই-সংবাদ, গেলেকী, ৩০ জানুৱাৰীঃ** শিৱসাগৰ আৰক্ষীৰ বৃহৎ সাফলতা। আৰক্ষীৰ অভিযানত জব্দ কৰা হৈছে ২ কেজি ৩০০ গ্ৰাম ওজনৰ চোৰাং হাঁতী দাঁত। জানিব পৰা মতে, শিৱসাগৰ আৰক্ষী অধীক্ষকৰ বিশেষ এটা গোটে গোপন সূত্ৰৰ পম খেদি নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত বাঁহবাৰীৰ পৰা হাতে-লোটে আটক কৰে অজয় আগৰৱাল নামৰ এজন ব্যক্তিক। ধৃত লোকজনৰ বয়স প্ৰায় ৪৭ বছৰ বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে লক্ষ্মীজান বাঁহবাৰীত নিশাৰভাগত অভিযান চলাই অজয় আগৰৱাল নামৰ লোকজনৰ ঘৰৰপৰা বুধবাৰে নিশা উদ্ধাৰ কৰে তিনিটাকৈ হাতী দাঁত। বৰ্তমান নাজিৰা আৰক্ষীৰ জিম্মাত ধৃত অজয় আগৰৱাল।

# আগমনিত গধুৰ বাহনে সৃষ্টি কৰিছে যান জঁটৰ, কুম্ভকৰ্ণৰ নিদ্ৰাত যান-বাহন আৰক্ষী

**ই-সংবাদ, গোলকগঞ্জ, ৩০ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানা এলেকাত যান-বাহন নিয়ন্ত্ৰণ আইন উলংঘন নকৰা বাহনৰ ওপৰত জৰিমনা বিহাত পাৰ্গত যান-বাহন আৰক্ষীয়ে একাংশ গধুৰ যান-বাহনৰ ক্ষেত্ৰত মৌনতা অৱলম্বন কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ২৮ জানুৱাৰীৰ দুপৰীয়া AS-19 AC-5737 নম্বৰৰ ইটা কঢ়িওৱা এখন ট্ৰাক যান্ত্ৰিক বিজুতিত গড়েহাটৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৰখাই থয়। তৎমুহূৰ্তে আগমনি যান-বাহন আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অশোক সিং আৰু কনিষ্টবল পৱিত্ৰ ব্ৰহ্ম উপস্থিত হৈ পাঁচ হাজাৰ টকা দাবী কৰে। দাবী কৰা ধন নিদিয়াত পয়চল্লিশ শ টকা জৰিমনা বিহে। সমগ্ৰ ঘটনা ইতিমধ্যে ভাইৰেল হৈ পৰিছে। উল্লেখ্য যে আগমনি খেৰবাৰী গোহাঁই কমল আলী পথটো ভিতৰুৱা লোক নিৰ্মাণ বিভাগৰ পথ। আগমনিৰ পৰা কালডোৱালৈকে এক কিলোমিটাৰ পথটো আহল বহল থাকিলেও তাৰ পিছতে ঠেক হৈ পৰে। দীৰ্ঘদিনৰ পৰা পথটো মেৰামতি নকৰাত ভাঙি ছিঙি অৱস্থা তথৈবচ হৈ পৰিছে। পথৰ শিল বালি উঠি গৈ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। পথটোৰে অসম-পশ্চিমবংগৰ যোগাযোগ সহজ। কম সময়ত পশ্চিমবংগ লৈ যাব পাৰি। যাৰ বাবে সৰু সুৰা যান-বাহনৰে সদা ব্যস্ত পথ। কিন্তু এই ক্ষেত্ৰত যমৰ যাতনা ভোগাইছে গধুৰ বাহনে। বিভাগীয় নীতি-নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰি প্ৰতিনিয়ত উক্ত পথটোৰে ওঠৰচকীয়া ডাম্পাৰ অহা-যোৱা কৰি আছে। উক্ত পথটোৰে ইমান গধুৰ বাহন চলাচলত নিষেধাজ্ঞা থাকিলেও এটা অসাধু চক্ৰই আগমনি যান-বাহন আৰক্ষীৰে গোপন বুজাবুজি কৰি গধুৰ বাহনেৰে মাল অনা-নিয়া অব্যাহত ৰাখিছে। বাহনসমূহৰ বাবে পথটোত আন বাহন চলাচলত চৰম দুৰ্ভোগ ভুগিব লগীয়া হৈছে। বিশেষকৈ বাহনসমূহে কালডোৱা বজাৰত তীব্ৰ যান-জঁটৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত জিলা প্ৰশাসনক তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।



আলফাৰ নামত ধন দাবী কৰি ডিগবৈত সেনা-আৰক্ষীৰ জালত এজন যুৱক, ফটোঃ ই-সংবাদ, ডুমডুমা

# যোৰহাটৰ মহবন্ধা এৰাতলি পথাৰত শংকৰদেৱ সংঘৰ ৯৪সংখ্যক অধিৱেশন

**ই-সংবাদ, বাহনা, ৩০ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হোৱাৰ দিশত। উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন এইবাৰ যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ মহবন্ধা এৰাতলি পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত ৬- ৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। তিনি কোটি পঞ্চাশ লাখ টকাৰ বাজেটেৰে প্ৰায় ১৫শ বিঘা মাটিত এই অধিৱেশন অনুষ্ঠিত হ'ব। অধিৱেশনৰ মূল মণ্ডপ, প্ৰতিনিধি শিবিৰ, গ্ৰন্থমেলা স্থলী, ভোজনালয়, ৰন্ধনিশাল, চিকিৎসা শিবিৰ আদিৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অস্থায়ী নামঘৰত গুৰু আসন প্ৰতিষ্ঠা কৰা হৈছে। বিভিন্ন প্ৰান্তৰ দায়িত্ব বহন কৰা বৈষ্ণৱসকল উপস্থিত হৈছেহি। নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা কৰাৰ পাছৰে পৰা দিনে-নিশাই চলিছে নাম-প্ৰসংগ। আহাৰ গ্ৰহণ কৰা স্থানত একেলগে ১০ হাজাৰ লোকে আহাৰ গ্ৰহণ কৰিব পাৰিব শাখাই নতুন গতি লাভ কৰিব বুলি বঁটা প্ৰাপক প্ৰতিষ্ঠাপক সম্পাদক দেৱযানী শইকীয়া গগৈয়ে আশা প্ৰকাশ কৰে।

# নিউজ এন ই ৩৬৫ সংবাদ গোষ্ঠীৰ সৌজন্যত বিশেষ বঁটা প্ৰদান অনুষ্ঠান

**ই-সংবাদ, মিৰ্জা, ৩০ জানুৱাৰীঃ** নিউজ এন ই ৩৬৫ নামৰ প'ৰ্টেল চেনেলটোৱে যোৱা ২৯ জানুৱাৰীত পলাশবাৰী সমষ্টিৰ উদীয়মান যুৱ নেতা তথা অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় তথ্য প্ৰযুক্তি সম্পাদক জোন গোস্বামীক বিশেষ বঁটা প্ৰদান কৰে। নিউজ এন ই ৩৬৫ সংবাদ মাধ্যমৰ বিশেষ বঁটা প্ৰদান আৰু মিষ্টাৰ এণ্ড মিছ গুৱাহাটী অনুষ্ঠানটিগুৱাহাটী মহানগৰীৰৰ কলাক্ষেত্ৰৰ ড০ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত নিউজ এন ই ৩৬৫ৰ মুখ্য সম্পাদক, স্বত্বাধিকাৰী পুলক ডেকা, নিউজ এন ই ৩৬৫ ৰ মুখ্য পৰিচালন সঞ্চালক ডিম্পী হালৈ, বিশিষ্ট জ্যোতিষী পল্লৱ শাস্ত্ৰীয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছতে জুবলি মালাকাৰে সত্ৰীয় নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত সমাজকৰ্মী তথা জ্যোতিষী অপূৰ্ব দেৱ শৰ্মা, যুৱ উদ্যোগী নতাশা দাস, বিশিষ্ট উদ্যোগপতি জয়দেৱ নাথ, অধিবক্তা ধ্ৰুৱ বণিয়া, কৃতী শিক্ষক বিচিত্ৰ কুমাৰ, অসম ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱা আৰু বিভিন্ন শিতানত বহু ব্যক্তিক নিউজ এন ই ৩৬৫ৰ বিশেষ বঁটা প্ৰদান কৰা হয়। লগতে কেইবাগৰাকীও সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সাজসজ্জা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। সদৌ শেষত প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়।

# যোৰহাট জিলা কংগ্ৰেছৰ মহাত্মা গান্ধীৰ মৃত্যু দিৱস পালন

**ই-সংবাদ, যোৰহাট, ৩০ জানুৱাৰীঃ** আজি যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত মহামানৱ মহাত্মা গান্ধীৰ মৃত্যু দিৱস পালন কৰা হয়। মহামানৱগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীত সভাপতিত্ব কৰে জিলা সভাপতি পুতুল বুঢ়াগোহাঁয়ে। সভাত মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ আৰু কৰ্মৰাজি সন্দৰ্ভত কৃশাণু বৰুৱা, বাসৱী কলিতা শইকীয়া, বাণী হাজৰিকা আৰু হেমন্ত বৰুৱাই বক্তব্য আগবঢ়ায়। জিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা মিডিয়া বিভাগৰ অধ্যক্ষ অভিজিত ফুকনে এক প্ৰেছ বিজ্ঞপ্তি যোগে জনায় যে আজিৰ এই দিনটোত জাতিৰ পিতাগৰাকীক স্মৰণ কৰি জিলা কংগ্ৰেছ কমিটীয়ে সংগঠন শক্তিশালী কৰাৰ স্বাৰ্থত কেইজনমান ব্যক্তিক জিলা আৰু ব্লক পৰ্যায়ত নিযুক্তি প্ৰদান কৰে। উল্লেখ্য যে জিলা সভাপতিয়ে বাঘচোং ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি উত্তম গগৈক জিলা উপ-সভাপতি, বাঘচোং ব্লকৰ উপ-সভাপতি ৰাতুল নেওগক উত্তৰ-পশ্চিম ঢেকৰগড়া যোৰহাট ব্লক কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি, খংগীয়াৰ ৰঞ্জিত বৰাক জিলা সাধাৰণ সম্পাদক আৰু জিলা প্ৰশাসনিক সাধাৰণ সম্পাদক উমানন্দ নেওগক নৱ গঠিত পূব টীয়ক ব্লক কংগ্ৰেছৰ তত্বাৱধায়কৰ দায়িত্ব অতিৰিক্তভাৱে অৰ্পণ কৰে। তদুপৰি হেমন্ত বৰাক জিলা কংগ্ৰেছৰ নাগৰিক আৰু সামাজিক প্ৰসাৰ কমিটীৰ সভাপতিৰ দায়িত্ব দিয়ে। আজিৰ এই কাৰ্যসূচীত জিলা কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিকাশ গগৈ, সাধাৰণ সম্পাদক আবুল হুছেইন, তিতাবৰ ব্লকৰ সভাপতি অনিল চুতীয়া, মহিলা কংগ্ৰেছৰ জিলা সভানেত্ৰী বন্তি গন্ধিয়া, সেৱা দলৰ অধ্যক্ষ দিলীপ হাজৰিকা প্ৰমুখ্যে জিলা ব্লক কংগ্ৰেছ, মণ্ডল কংগ্ৰেছৰ শতাধিক বিষয়ববীয়া আৰু কৰ্মী উপস্থিত থাকে।

# নগৰবেৰাৰ বদলাত ভূমি কেন্দ্ৰিক সংঘাত

**ই-সংবাদ, নগৰবেৰা, ৩০ জানুৱাৰীঃ** নগৰবেৰাৰ নতুন বদলাত এডোখৰ ভূমিক লৈ হোৱা ভয়ংকৰ মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চল জুৰি চেপা উত্তেজনাই বিৰাজ কৰিছে। জানিব পৰা মতে, টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত বদলাত খুড়াক-ভতিজাকৰ ভূমি কেন্দ্ৰিক সংঘাতত দুই ফৈদৰ মাৰপিটত আহত হয় ৭ জনকৈ লোক উল্লেখ্য যে, গাঁওখনৰ নুৰুল ইছলাম (ভতিজা) আৰু ইয়াদ আলী(খুড়া)ৰ মাজত দীৰ্ঘদিনৰে পৰা এডোখৰ ভূমিক লৈ চলি আছিল বিবাদ। এই বিবাদে বুধবাৰে ভয়ংকৰ ৰূপ লৈ প্ৰথমে দুই ফৈদৰ মাজত বাক-বিতণ্ডা তাৰ পাছত দা-লাঠীৰে সংঘটিত হয় মাৰপিট। এই মাৰপিটত আহত হয় উভয় পক্ষৰ ৭ জনকৈ লোক। গুৰুতৰভাৱে আহত ইয়াদ আলী, ফাইজুল হক আৰু জাকিৰ হুছেইনক চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# চেঙাৰ পশ্চিম আলোপতিত শক্তি বিভাগৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ



**ই-সংবাদ, নগৰবেৰা, ৩০ জানুৱাৰীঃ** শক্তি বিভাগৰ চৰম অৱহেলা আৰু অমনোযোগিতাৰ বিৰুদ্ধে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত পশ্চিম আলোপতি গাঁওবাসী ক্ষোভিত হোৱা পৰিলক্ষিত হৈছে। ৰাইজৰ অভিযোগক গুৰুত্বাৰোপ নকৰাৰ বাবেই অতিষ্ঠ হৈ গাঁওখনৰ একাংশ লোকে আজি বিভাগটোৰ বিৰুদ্ধে এক প্ৰতিবাদ সাব্যস্ত কৰে। ক্ষোভিত একাংশ লোকে জনোৱা মতে, বিদ্যুৎ বিভাগে বৃহত্তৰ অঞ্চলটোত বিদ্যুৎ সংযোগ দিয়াৰ নামত টনা উচ্চ ক্ষমতাসম্পন্ন তাঁৰ মূৰৰ ওপৰেৰে যোৱাৰ উপৰি এল টি তাঁৰসমূহ হাতেৰে চুব পৰা অৱস্থাত থকাত বিষয়টো স্থানীয় একাংশ লোকে বিদ্যুৎ বিভাগৰ ধূপধৰা উপ-সংমণ্ডলত অৱগত কৰায়। বাৰম্বাৰ অভিযোগ দিয়াৰ পাছতো ধূপধৰা উপ-সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীসকলে বিষয়টোত গুৰুত্বাৰোপ নকৰাত উপায়ন্তৰ হৈ স্থানীয় লোকে বিদ্যুৎ বিভাগৰ টোল ফ্ৰী নম্বৰ ১৯১২ ত অভিযোগ দিয়ে। অভিযোগ দিয়াৰ পাছতে সমস্যাটো সমাধানৰ আশ্বাস প্ৰদান কৰে যদিও আজিও অঞ্চলটোত এনেদৰেই ওলমি আছে বিদ্যুতৰ তাঁৰ। স্থানীয় লোকে জনোৱা মতে, দুবছৰ পূৰ্বে বাৰিষাত অঞ্চলটোৰ এটা বিদ্যুতৰ খুঁটা ভাঙি পৰাত পথাৰৰ মাজেৰে টনা উচ্চ ক্ষমতাসম্পন্ন এছ টি তাঁৰ অতি বিপজ্জনকভাৱে ওলমি আছে। খেতি পথাৰৰ মাজেৰে টনা এছ টি তাঁৰসমূহ বিপজ্জনকভাৱে ওলমি থকাৰ বাবেই উক্ত অঞ্চলৰ পথাৰত কাম কৰিব পৰা নাই একাংশ কৃষকে। তদুপৰি গাঁৱৰ মাজেৰে টনা এল টি তাঁৰসমূহ হাতেৰে চুব পৰা অৱস্থা ওলমি আছে। বিষয়টো বিদ্যুৎ বিভাগক একাধিকবাৰ অৱগত কৰোৱাৰ পাছতো সমস্যা সমাধানৰ ক্ষেত্ৰত দুবছৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত সম্প্ৰতি অতিষ্ঠ হৈ পৰিছে অঞ্চলবাসী। যিকোনো মুহূৰ্ততে এক ভয়ংকৰ অঘটন সংঘটিত হ'ব পাৰে বুলি শংকাত ভুগিছে স্থানীয় লোকসকল। মানুহৰ জীৱনক লৈ হেতালি খেলা বিদ্যুৎ বিভাগৰ এনে অৱহেলাৰ বিৰুদ্ধে আজি গাঁওখনৰ একাংশ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বিদ্যুৎ বিভাগ হায় হায়, বিদ্যুৎ বিভাগৰ মইমতালি বন্ধ কৰক, ধূপধৰা উপ-সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা লওক আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। বিভাগটোত যথেষ্ট সংখ্যক কৰ্মচাৰী থকাৰ পাছতো এই জ্বলন্ত তথা ভয়ংকৰ সমস্যাটো সমাধান কৰাত গুৰুত্বাৰোপ নকৰাত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে প্ৰতিবাদকাৰীসকলে। শীঘ্ৰে সমস্যা সমাধান নকৰিলে বৃহত্তৰ অঞ্চলটোৰ গ্ৰাহকসকলে বিদ্যুৎ বিল আদায় নিদিয়াৰ হুংকাৰ প্ৰদান কৰিছে। অঞ্চলটোৰ ৰাইজে বিষয়টোৰ গুৰুত্ব অনুধাৱন কৰি শীঘ্ৰে সমস্যা সমাধান কৰিবলৈ বিদ্যুৎ বিভাগৰ উৰ্ধ্বতম কৰ্তৃপক্ষক দাবী জনাইছে।

# বঙাইগাঁৱৰ কীৰ্ত্তনপাৰা-বালাৰচৰত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ

**ই-সংবাদ, কোকিলা, ৩০ জানুৱাৰীঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত বালাৰচৰ মাত্ৰাঘোলা গাঁও পঞ্চায়তৰ আৰু কীৰ্ত্তনপাৰা গাঁও পঞ্চায়ৰ বিভিন্ন ঠাইত ৰোগীসকলৰ মাজত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ কৰা হয়। দীৰ্ঘদিন ধৰি বিভিন্ন ৰোগত ভুগি থকা ৰোগীসকলক এককালীন সাহায্যৰ মুঠ ৫ খন চেক বিতৰণ কৰা হয়। মণিকা আৰ্য্য ২০ হাজাৰ, ৰীতা বালা মণ্ডল ১৫ হাজাৰ, কাৰ্তিক চন্দ্ৰ মণ্ডল ২০ হাজাৰ, গোপাল সৰকাৰ ৪৫ হাজাৰ আৰু গৌৰ সৰকাৰক ১৫ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। অৰ্থৰ অভাৱত উক্ত ৰোগীসকলে চিকিৎসা গ্ৰহণ কৰিব পৰা নাছিল। অসমৰ মুখ্যমন্ত্ৰীলৈ আৰ্থিক সাহায্যৰ বাবে আবেদন কৰাত তেওঁলোকক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা চেক প্ৰদান কৰা হয়। চেকসমূহ বিতৰণ কৰে বিজেপিৰ বঙাইগাঁও জিলা সভাপতি উজ্জ্বল কান্তি ৰায়, বঙাইগাঁও জিলা সামাজিক মাধ্যম কোষৰ আহ্বায়ক সুব্ৰত মণ্ডল, জিলা সামাজিক মাধ্যম কোষৰ সহ-আহ্বায়ক গৌতম মণ্ডল, সৃজনগ্ৰাম মণ্ডল সভাপতি সনাতন দাস, জিলা অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি জগন্নাথ মণ্ডলৰ লগতে দলীয় কৰ্মীসকলে। ইফালে, মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা চেক লাভ কৰি সন্তুষ্টি প্ৰকাশ কৰে ৰোগীসকলে।

# মিৰ্জাত এজেৰাইচিপিৰ কামৰূপ জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ৩০ জানুৱাৰীঃ** আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কামৰূপ জিলা আহ্বায়ক সমিতিৰ উদ্যোগত পলাশবাৰী আঞ্চলিক সমিতিৰ আতিথ্যত জিলাখনৰ মিৰ্জাস্থিত পলাশবাৰী সাহিত্য সভাৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন কৰে জিলা আহ্বায়ক সমিতিৰ মুখ্য আহ্বায়ক তথা প্ৰাক্তন আছু নেতা মদন দাসে। ইয়াৰ পিছত শ্বহীদ তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে জিলা আহ্বায়ক সমিতিৰ আহ্বায়ক শিৰষ দাস, গুৱাহাটী মহানগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক সঞ্জয় বিশ্বাস আৰু পলাশবাৰী আঞ্চলিক সমিতিৰ সম্পাদক বিনোদ কলিতাই। বৃক্ষৰোপণ কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক দীপক শৰ্মাই। দিনৰ ১১ বজাত মদন দাসৰ সভাপতিত্বত জিলাখনৰ সাহিত্য, সংস্কৃতি, সংগীত, ক্ৰীড়া, শিক্ষা ক্ষেত্ৰত অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিলৈ সম্বৰ্ধনা জ্ঞাপন কৰা সভাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নৰকান্ত অধিকাৰীয়ে মুখ্য অতিথিৰ ভাষণত কয় যে বাহ্যিক দৃষ্টিভংগীৰে এজন মানুহক নিৰূপণ কৰিব নোৱাৰি। প্ৰজ্ঞাৰ দৃষ্টিৰে চাব লাগে। আজিৰ সমাজখন তীব্ৰ বেগেৰে পৰিৱৰ্তন ঘটিছে। এই ক্ষেত্ৰত যুৱক-যুৱতীসকলে কঠোৰ শ্ৰম, অনুশীলন কৰিব লাগে। সভাত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰোদ কুমাৰ দাস, পৰাগজ্যোতি প্ৰকাশনৰ সচিব দীপক শৰ্মাই নিমন্ত্ৰিত অতিথি হিচাপে অংশ গ্ৰহণ কৰে। সভাত জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ভৱেশ, বিশিষ্ট বুৰঞ্জীবিদ তথা ৰাভা লোক সংস্কৃতিৰ গৱেষক ডাঃ শৰৎ চন্দ্ৰ ৰাভা, ৰাষ্ট্ৰীয় খেলুৱৈ অঞ্জলি দাস, বিশিষ্ট সাহিত্যিক গজেন চন্দ্ৰ দাস, বিশিষ্ট নাট্যকাৰ ৰঞ্জিৎ চৌধুৰী, অসম আন্দোলনৰ শীৰ্ষ নেতা ৰাম কুমাৰ দাস, প্ৰবীণ ক্ৰীড়া সংগঠক তথা খেলুৱৈ প্ৰবীণ চন্দ্ৰ দাস, এগুী কাপোৰক জগত সভালৈ লৈ যোৱা হৰেণ দাস, সমাজকৰ্মীদ্বয় অপূৰ্ব দেৱ শৰ্মা আৰু কুশল দেৱ শৰ্মাক ফুলাম গামোচা, জাপি, স্মাৰক আৰু অভিনন্দন পত্ৰৰে সম্ভাষণ জনায়। ইয়াৰ পিছতে অনুষ্ঠিত প্ৰতিনিধি সভা উদ্বোধন কৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই মুখ্য অতিথি হিচাপে অংশ লৈ পৰিষদৰ লক্ষ্য, উদ্দেশ্য দাঙি ধৰে। চাংমাই কয় যে দক্ষিণ কামৰূপৰ সেউজ বনভূমি, উন্নত মানৰ বালি, শিল, শিহু, নদী আদিৰ সংৰক্ষণ, এই অঞ্চলৰ সম্পদ কোনেও হানি-বিঘিনি ঘটাব নোৱাৰে তাৰ ওপৰত যুৱ ছাত্ৰ পৰিষদৰ তৰফৰ পৰা কঠোৰ স্থিতি ল'ব বুলি দোহাৰে। সভাত যুৱ ছাত্ৰ পৰিষদৰ কেইবাজনো শীৰ্ষ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। এই সভাতে সৰ্বসন্মতিক্ৰমে মদন দাসক সভাপতি আৰু বিনোদ কলিতাক সাধাৰণ সম্পাদক হিচাপে লৈ জিলাৰ এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# শাৰীৰিক নিৰ্দেশক হিতিশ চমুৱাক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, খাৰুপেটীয়া, ৩০ জানুৱাৰীঃ** শাৰীৰিক পৰিশ্ৰমে প্ৰেছাৰ, ডায়েবেটিছ ৰোগৰ পৰা দূৰত ৰাখে। কৰ্মচাৰীৰ বিদায়ৰ পূৰ্বে কাৰ্যালয়ত অভিজ্ঞতা বিলাই গ'লে পিছৰ পৰ্যায়ত কৰ্ম-সংস্কৃতি ৰক্ষাত সহজ হয়। শাৰীৰিক নিৰ্দেশকৰ বিদায় নাই, খেলপথাৰত নতুন নতুন খেলুৱৈ সৃষ্টিৰ কামত নিয়োজিত হৈ মানৰ সেৱা কৰাই জীৱনৰ কৰ্ম। পৃথিৱীৰ আটাইতকৈ সুন্দৰ শব্দ হ'ল আনন্দ।- দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক হিতেশ চমুৱাৰ চাকৰিৰ অৱসৰ মুহূৰ্তত আজি দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ত অনুষ্ঠিত সম্বৰ্ধনা সভাত ক্ৰীড়া বিষয়া বিষ্ণুজ্যোতি কলিতাই ভাষণত এইদৰে মন্তব্য কৰে। দৰং জিলা শাৰীৰিক নিৰ্দেশক সন্থাৰ উদ্যোগত সন্থাৰ সভাপতি দিলীপ শৰ্মাৰ সভাপতিত্বত সম্পাদক মোবাৰক হুছেইনে উদ্দেশ্য ব্যাখ্যা কৰা বিদায় সভাত হিতেশ চমুৱাক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেওঁক ফুলাম গামোচা, এটি স্মাৰক, গ্ৰন্থ-কলম, মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিজ্ঞান আৰু শাৰীৰিক শিক্ষাৰ স্নাতক চমুৱাই ১৯৯১চনৰ পৰা শাৰীৰিক নিৰ্দেশক হিচাপে লক্ষিমপুৰত চাকৰি জীৱন আৰম্ভ কৰি ১৯৯৪ চনৰ পৰা ছিপাঝাৰ বি জে ছোৱালী হাইস্কুল আৰু ১৯৯৮ চনৰ পৰা মঙলদৈ টাউন হাইস্কুলত সুদীৰ্ঘ বছৰ চাকৰি কৰি অৱসৰ গ্ৰহণ কৰে। সভাত অৱসৰপ্ৰাপ্ত শাৰীৰিক নিৰ্দেশক দেৱেন বৰুৱা, গিৰিন্দ্ৰ বৰুৱা, দণ্ডীৰাম লহকৰ, ক্ৰীড়া সংগঠক প্ৰফুল্ল কুমাৰ, শাৰীৰিক নিৰ্দেশক গজেন ডেকা, মৃণাল কলিতা, কাবাদী প্ৰশিক্ষক তথা প্ৰবীণ এথলীট কুঞ্জলতা বড়ো, বিতা দেৱী, যোগৰ প্ৰশিক্ষক ননী কলিতা আদিয়ে বিদায়ী হিতেশ চমুৱাৰ কৰ্ম জীৱনক প্ৰশংসা কৰে। সভাত বিদায়ী শাৰীৰিক নিৰ্দেশক হিতেশ চমুৱাই নিজৰ কৰ্মজীৱনৰ অভিজ্ঞতা আৰু সতীৰ্থৰ সহযোগিতাক প্ৰশংসা কৰি আৱেগিক হৈ পৰে।

## মৰিগাঁৱত উদীয়মান কবি চিমৰাজ হুছেইনৰ 'সোণাৰু ফুলা ৰাতি' কাব্য সংকলনৰ শুভ উন্মোচন

**ই-সংবাদ, লাহৰীঘাট, ৩০ জানুৱাৰীঃ** মৰিগাঁৱৰ উদীয়মান গীতিকাৰ তথা কবি চিমৰাজ হুছেইনৰ 'সোণাৰু ফুলা ৰাতি' কাব্য সংকলনখনিৰ আজি শুভ উন্মোচন কৰা হয়। মাঘৰ মায়াসনাৰ শীতৰ আবেলিত মৰিগাঁও কবি মঞ্চৰ উদ্যোগত মৰিগাঁও শাখা সাহিত্য সভাৰ গুৰুচৰণ মেধিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ গ্ৰন্থ উন্মোচনী সভাত 'সোণাৰু ফুলা ৰাতি' নামৰ কাব্য সংকলনখনৰ শুভ উন্মোচন কৰে বিশিষ্ট কবি হৰেন্দ্ৰ বৰাই। কবি মঞ্চ অসমৰ উপ-সভাপতি শেৱালী শৰ্মা বৰকটকীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত কাব্য সংকলনখনিৰ উন্মোচন কৰি বিশিষ্ট কবিগৰাকীয়ে উন্মোচনী ভাষণত কবিতা লিখো বুলি লিখিব নোৱাৰে বুলি বক্তব্য আগবঢ়োৱাৰ লগতে তেওঁ কয় যে কবিতাত শব্দৰ বাক্য কি প্ৰয়োগ কৰিব কেৱল কবিয়েহে জানে। মনলৈ অহা চিন্তা কাগজত কলমেৰে লিপিবদ্ধ কৰা সুন্দৰ বাক্যৰ গাঠনিয়েই কবিয়ে কবিতাৰ সৃষ্টি কৰে। উদীয়মান কবি চিমৰাজ হুছেইনৰ শব্দৰ গাঁঠনিয়ে পাঠকৰ মনত আনন্দ আনে। কবিৰ কবিতা পাঠ কৰিলে পঢ়ুৱৈৰ মনত আনন্দ আহিব লাগিব বুলি উল্লেখ কৰে। উন্মোচনীৰ ভাষণত বিশিষ্ট কবিগৰাকীয়ে পুনৰ কয় যে কবিয়ে তাৎক্ষণিকভাৱে মনলৈ অহা চিন্তাই এটা সুন্দৰ কবিতাৰ সৃষ্টি হয়। যিয়ে কবিতা লিখে তেওঁ দুৰ্দান্ত প্ৰেমিক হয় আৰু সেই কবিক কবিতাই ঘূৰাই ফুৰায় বুলি উন্মোচক বৰাই গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। মৰিগাঁও জিলা কবি মঞ্চৰ সম্পাদক তথা বিশিষ্ট কবি ড০ নাজমা বেগমে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ কাব্য সংকলন উন্মোচনী অনুষ্ঠানটিৰ উদ্বোধন কৰে বিশিষ্ট কবি, লেখক তথা মৰিগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অমি দেৱী বৰঠাকুৰে। অনুষ্ঠানটোৰ উদ্বোধন কৰি উদ্বোধনী ভাষণত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ গৰাকীয়ে কয় যে কবিৰ কলম উত্ৰাৱল হ'ব লাগিব। কবিৰ কলমত নতুন নতুন চিন্তাৰ বিকাশ ঘটে। অন্তৰৰ নিৰ্ভীক কোণৰ পৰা ওলোৱা শব্দৰ মায়াজালে কবিতাৰ সৃষ্টি হয়। তদুপৰি এগৰাকী কবিৰ দৃষ্টিত জুই, পানী, মৃত্যুকে ধৰি সকলো ধুনীয়া হৈ পৰে আৰু সকলোকে ধুনীয়া দেখে বুলি কবিগৰাকীয়ে ভাষণত উল্লেখ কৰাৰ উপৰি তেওঁ কুঁহিয়াৰ চেপাৰ দৰে চেপি চেপি ৰস উলিয়াই এজন কবিয়ে কবিতাত ৰসৰ সৃষ্টি কৰে বুলি উল্লেখ কৰে। সভাৰ আৰম্ভণিতেই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে অসম সাহিত্য সভাৰ পৰমহিতৈষী মহেন্দ্ৰ নাথ হাজৰিকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমণি গোস্বামী, কবি মঞ্চৰ উপদেষ্টা নুৰ মহম্মদ আৰু প্ৰদীপ পৰাশৰ, বিশিষ্ট কবি স্মৃতিৰেখা গোহাঁই, চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল চন্দ্ৰ নাথ, প্ৰকাশক ড০ আব্দুল মান্নান, মৰিগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ নিবেদিতা শইকীয়া, লেখক, সাহিত্যিক জনাৰ্দন শৰ্মা, জ্যেষ্ঠ সাংবাদিক তথা লেখক নজৰুল ইছলামে উপস্থিত থাকি কবিতা সৃষ্টিৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। উদীয়মান কবি চিমৰাজ হুছেইনে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ নৱ নিৰ্বাচিত সভাপতি তথা কবি মঞ্চৰ উপদেষ্টা অজিত শৰ্মাকে ধৰি বহুকইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# হাজোৰ কোঁৱৰপুৰ কৰি বিলত গুণ্ডাৰাজ

**ই-সংবাদ, হাজো, ৩০ জানুৱাৰীঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কোঁৱৰপুৰ কৰি বিলত ৰাইজৰ মাজত হাহাকাৰময় পৰিস্থিতি। তিনি যুৱকৰ সন্ত্ৰাসত অতিষ্ঠ হৈ পৰিছে কৰি বিলৰ বাসিন্দা। ভয়-ভাবুকি দেখুৱাই কৰি বিলত গুন্দাৰাজ চলোৱাৰ অভিযোগ তিনি যুৱকৰ বিৰুদ্ধে। মজিবুল্লা আলী, আছাদ আলী, আজিজ আলী আৰু ৰাবিয়া খাতুনৰ বিৰুদ্ধে এটাৰ পিছত এটা অভিযোগ গাওঁ খনৰ ৰাইজৰ। বাহুবল দেখুৱাই কাৰোবাৰ পৰা যদি মাটি দখল কৰিছে আন কাৰোবাৰ পৰা বিভিন্ন চক্ৰান্ত কৰি লুটিছে লাখ লাখ টকা। এয়াই নহয় ৰাজহুৱা কবৰস্থানৰ পৰা কাটি তহিলং কৰিছে বাহঁগছৰ বাগান। মন গলেই ধৰি নিয়ে ওচৰ-চুবুৰীয়াৰ হাঁহ-পাৰ, মুৰ্গি, পুখুৰীৰ পৰা মাৰি নিয়ে মাছ। পইছা বিচাৰি গলেই দিয়ে মাৰি-কাটি পেলোৱাৰ ভাবুকি। শেহতীয়াকৈ এঘৰ লোকৰ নাম জাৰি থকা মাটি প্ৰাণে মৰাৰ ভাবুকি দি অবৈধ দখলৰ চেষ্টা কৰিছে এই তিনি যুৱকে। যাৰ বাবে হাজো আৰক্ষীৰ কাষ চাপিছে ভুক্তভোগী পৰিয়াল আৰু কৰি বিলৰ ৰাইজ। ৰাইজৰ দাবী এই তিনি যুৱকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি কৰি বিলৰ ৰাইজক ন্যায় দিয়ক আৰক্ষী প্ৰশাসনে।

# চামগুৰিৰ বটবৃক্ষস্বৰূপ বনমালি কলিতাৰ মৃত্যু

**ই-সংবাদ, পুৰণিগুদাম, ৩০ জানুৱাৰী:** নগাঁও জিলাৰ চামগুৰিৰ বটবৃক্ষস্বৰূপ তথা বিশিষ্ট শিক্ষাবিদ, সমাজ সংগঠক বনমালি কলিতাৰ যোৱা নিশা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজা বাসভৱনত মৃত্যু হয়। ১০২ বছৰ বয়সত ইহলীলা সম্বৰণ কৰা বনমালি কলিতাই অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনতো জড়িত হৈ কাৰাবাস খাটিছিল। চামগুৰিৰ প্ৰয়াত দোমাই কলিতা আৰু নুমলী বালা কলিতাৰ ঔৰসত ১৯২৪ চনৰ ৯ জুনত জন্মগ্ৰহণ কৰিছিল প্ৰয়াত বনমালি কলিতাই। ১৯৩০ চনৰ পৰা ১৯৩৯ চনলৈকে ভাৰতৰ অসহযোগ আন্দোলন চলিছিল। ১৯৩৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ চামগুৰি শাখা কংগ্ৰেছৰ সম্পাদকৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। দায়িত্বভাৰ গ্ৰহণৰ পাছতে তেওঁ অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। আন্দোলনৰ বাবে তেওঁ কাৰাবাস খাটিব লগীয়া হৈছিল। জাতীয় কংগ্ৰেছত জড়িত হোৱাৰ সূত্ৰে কলিতাই উত্তৰ প্ৰদেশৰ ৰাৰ্ধা সমিতিৰ জড়িয়তে হিন্দী শিক্ষা গ্ৰহণ কৰিছিল।তেওঁ প্ৰৱেশিকা আৰু বিশাৰদ উত্তীৰ্ণ হয়। ইয়াৰ পাছতে ১৯৫০ চনত মিছামাৰীৰ এখন বিদ্যালয়ত হিন্দী শিক্ষক ৰূপে যোগদান কৰিছিল। ১৯৫২ চনৰ ১৯ ছেপ্টেম্বৰত কলিতাই নগাঁও জিলাৰ ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হিন্দী শিক্ষকৰূপে স্থায়ীভাবে যোগদান কৰে। ১৯৫৫ চনৰ জানুৱাৰী মাহত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তেখেতে বদলি হৈ আহি ১৯৮৬ চনৰ ৩০ ছেপ্টেম্বৰত হিন্দী শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰ গ্ৰহণ কৰাৰ পাছতেই তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰাৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। চামগুৰি পূৰ্ণিমা শইকীয়া বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়, চামগুৰি কণিষ্ঠ মহাবিদ্যালয় স্থাপনৰ লগতে চামগুৰিৰ উচ্চ শিক্ষাৰ অনুষ্ঠান চামগুৰি মহাবিদ্যালয় স্থাপনত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। চামগুৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিৰ দায়িত্বও তেওঁ গ্ৰহণ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পূৰ্বাঞ্চলিক শাখাৰ একনিষ্ঠ সেৱক হোৱাৰ লগতে চামগুৰিৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। বিশিষ্ট শিক্ষাবিদ সমাজসেৱক গৰাকী যোৱা নিশা নিজ বাসভৱনত মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাত চামগুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বিষয়ববীয়া আৰু স্থানীয় ৰাইজৰ লগতে চামগুৰি আঞ্চলিক ছাত্ৰ সন্থা, চামগুৰি ব্যৱসায়িক সন্থাৰ লগতে অজস্ৰ গুণমুগ্ধ ৰাইজ উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, বিধায়ক জিতু গোস্বামীকে ধৰি চামগুৰিৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

# ডিব্ৰুগড়ৰ শিক্ষা ভেলী স্কুলত বিস্ময় বালক খ্যাত গুগল বয় কৌটিল্য পণ্ডিত



**ই-সংবাদ, ডিব্ৰুগড়, ৩০ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ খনিকৰত অৱস্থিত আন্তৰাষ্ট্ৰীয় মানৰ অন্যতম শিক্ষানুষ্ঠান শিক্ষা ভেলী স্কুলত গুগল বয় খ্যাত তথা প্ৰবল স্মৃতি শক্তিৰ অধিকাৰী, বিস্ময় বালক কৌটিল্য পণ্ডিত উপস্থিত হয়। শিক্ষানুষ্ঠানখনৰ অষ্টম বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা 'তেজ'মায়া-৩' শীৰ্ষক বিশেষ অনুষ্ঠানত উপস্থিত থাকি প্ৰবল স্মৃতি শক্তিৰ অধিকাৰী কৌটিল্যই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। ডিব্ৰুগড়ৰ শিক্ষা ভেলী বিদ্যালয়ৰ 'তেজ'মায়া'-৩ শীৰ্ষক অনুষ্ঠানত গুগল বয় খ্যাত কৌটিল্য পণ্ডিতৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীসকলক উৎফুল্লিত কৰে। শিক্ষাৰ্থীসকলৰ সৈতে বহু সময় ধৰি মত বিনিময় কৰে কৌটিল্য পণ্ডিতে। শিক্ষক-শিক্ষাৰ্থীৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ে গুগল বয়ে। সমাজ অৰ্থনীতিৰ পৰা বিশ্বৰ ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়কৌটিল্য পণ্ডিতে। কথাৰ মাজতে তেওঁ কয় ডিব্ৰুগড়ৰ পৰিৱেশৰ কথা। ডিব্ৰুগড়ৰ জলবায়ু তথা সেউজীয়া চাহ গছৰ মাজে মাজে থকা গছ-গছনিয়ে তেওঁক মোহাচ্ছন্ন কৰাৰ কথা কয় কৌটিল্য পণ্ডিতে। ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় গুগল বয়ে। পৰীক্ষাৰ নম্বৰে শিক্ষাৰ্থীৰ ভৱিষ্যত নিৰ্ণয় নকৰে বুলি উল্লেখ কৰি ভৱিষ্যত গঢ়িবলৈ হ'লে জ্ঞান অৰ্জনতহে গুৰুত্ব দিব লাগে বুলি কয় কৌটিল্যই। বিস্ময়কৰ মেধা সম্পন্ন কৌটিল্যই লগতে জীৱনত কঠোৰ শ্ৰম, একাগ্ৰতা আৰু ধৈৰ্য নহ'লে লক্ষ্যত উপনীত হ'ব নোৱাৰে বুলি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কয়। যিকোনো এটা বিষয় খৰচী মাৰি শিকিবলৈ হ'লে বিষয়বস্তুটোৰ ভিতৰত আগ্ৰহেৰে সোমাই গ'লে নিশ্চয়কৈ বিষয়বস্তুটোৰ সন্দৰ্ভত খৰচী মাৰি শিকিব পাৰি বুলি তেওঁ উল্লেখ কৰে। কৌটিল্যই ৰাজনীতি পৰা ক্ৰীড়ালৈকে, বিজ্ঞানৰ পৰা বুৰঞ্জীলৈকে বিভিন্ন বিষয়ৰ সন্দৰ্ভত বিভিন্ন তথ্যসহ বক্তব্য আগবঢ়োৱাৰ লগতে প্ৰশ্নৰ উত্তৰ দিয়ে। উল্লেখ্য যে হাৰিয়ানাৰ সতীশ শৰ্মাৰপুত্ৰ কৌটিল্যই মাত্ৰ পাঁচ বছৰ বয়সতে ৰাজনীতি, ভূগোলকে ধৰি সকলো বিষয়তে অবিশ্বাস্য দক্ষতা অৰ্জন কৰি সমগ্ৰ দেশত চৰ্চা লাভ কৰাৰ লগতে তেওঁৰ মেধাৰ দক্ষতা বিভিন্ন ৰাষ্ট্ৰীয় টেলিভিচন যোগে ভাইৰেল হৈছিল। আজিৰ অনুষ্ঠানতে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখ্য যে, ডিব্ৰুগড় খনিকৰত বিশিষ্ট সমাজকৰ্মী তথা উদ্যোগপতি পুলিন চন্দ্ৰ গগৈৰ নিজা প্ৰচেষ্টাৰে তিনি বছৰ পূৰ্বে প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনে শেহতীয়াকৈ চি বি এছ ই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উল্লেখযোগ্য ফলাফল লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ পৰিচালন সঞ্চালক পুলিন চন্দ্ৰ গগৈ, উপ-পৰিচালন সঞ্চালক হেমন্ত কুমাৰ গগৈ, সঞ্চালক এছ পি সুৰেশসহ শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱক-শুভাকাংক্ষী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# মদাৰখাত হাটখোলা গাঁৱত দুৰ্ঘটনা, নিহত এক

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ জানুৱাৰীঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল মদাৰখাতৰ  হাটখোলাত আজি পুৱা এক দুৰ্ঘটনাত এজন থিতাতে নিহত হোৱাৰ লগতে এজন আহত হয়। দিহিংগীয়া গাঁৱৰ পৰা ঘোঁৰামৰা তিনিআলি অভিমুখে আহি থকা এখন অট'ৰিক্সাই নিয়ন্ত্ৰণ হেৰুৱাই পথত বাগৰি পৰে আৰু উঠি অহা যাত্ৰীজনৰ গাত অট'ৰিক্সাখন পৰাত লোকজন থিতাতে নিহত হয়। স্থানীয় ৰাইজে জনোৱা মতে,  এ এছ-০৬ বি চি-৭০৬৩ নম্বৰৰ অট'খনে তীব্ৰ বেগত আহি নিয়ন্ত্ৰণ হেৰুৱাই পথতে বাগৰি পৰে। অট'খনে হেঁচা মাৰি ধৰাত বাবুল গগৈ নামৰ ৩০ বছৰীয়া বিবাহিত যুৱকজন থিতাতে নিহত হয়। নিহত যুৱকজনৰ ঘৰ আলিমূৰত। আনহাতে, দেৱজ্যোতি গগৈ নামৰ অট'খনৰ চালকজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ঘোঁৰামৰা আৰক্ষী উপস্থিত হৈ ঘটনা তদন্ত কৰাৰ লগতে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে এ এম চি এইচলৈ প্ৰেৰণ কৰিছে। ঘটনাটোয়ে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলায়।

# দিল্লী চৰকাৰৰ অপশাসন ব্যৱস্থাক আক্ৰমণ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**নতুন দিল্লী, ৩০ জানুৱাৰীঃ** দিল্লীৰ বস্তি এলেকাৰ বাসিন্দাসকলৰ বৰ্তমানৰ জীৱন ধাৰণৰ সমস্যা আৰু দুৰ্দশা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁলোকৰ জীৱন ধাৰণৰ পৰিৱেশ উন্নত কৰিবলৈ গ্ৰহণ কৰা সংকল্পৰ বিষয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত আজি নিৰ্বাচনী প্ৰচাৰ সভাৰ জৰিয়তে দিল্লীৰ জনসাধাৰণক অৱগত কৰে। দেশৰ ৰাজধানী দিল্লীৰ কাৰৱাল নগৰ, ঘোণ্ডা আৰু চান্দনী চ'কত ৩খন নিৰ্বাচনী জনসভাত ভাষণ দি ড০ শৰ্মাই বাংলাদেশৰ শেহতীয়া অস্থিৰতাৰ পটভূমিত বাংলাদেশী অনুপ্ৰৱেশৰ ফলত সৃষ্টি হোৱা ভাবুকিৰ পৰা ভাৰতক সুৰক্ষিত কৰাৰ প্ৰয়োজনীয়তা আৰু 'কা'ৰ জৰিয়তে নিৰ্যাতিত সংখ্যালঘুসকলক নাগৰিকত্ব প্ৰদানৰ বিজেপিৰ দূৰদৰ্শী নীতিগত প্ৰচেষ্টাৰ বিষয়ে কয়। মুখ্যমন্ত্ৰীয়ে অৰবিন্দ কেজৰিৱালৰ চৰ্চিত বাসগৃহ 'চিচমহল'ক সমালোচনা কৰি কয় যে যেতিয়া দিল্লীয়ে ক'ভিডৰ সংকটৰ সৈতে যুঁজি আছিল, সেই সময়ত কেজৰিৱালে চিচমহল নিৰ্মাণ কৰিছিল। লগতে তেওঁ দিল্লীৰ মোহল্লা ক্লিনিকৰ বিফল আৰ্হিৰ সম্পৰ্কেও আলোকপাত কৰে। ড০ শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ বিষয়ে উল্লেখ কৰি কয় যে বিজেপি হৈছে এনে এটা দল যিয়ে প্ৰতিটো নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ কৰি আহিছে।




অসমত মহিলাৰ প্ৰতি চৰকাৰে আগবঢ়োৱা সাহায্য, ৰাজসাহায্যযুক্ত ৰন্ধন গেছ, বিনামূলীয়া শিক্ষাৰ লগতে যুগান্তকাৰী অৰুণোদয় আঁচনিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত প্ৰতি মাহে ১২৫০ টকাকৈ ৪০ লাখৰো অধিক মহিলাক প্ৰদান কৰি থকা হৈছে। তেওঁ লগতে ৰাজস্থানত বিজেপিৰ প্ৰতিশ্ৰুতি পূৰ্ণতাৰ উদাহৰণৰ দাঙি ধৰি ৫০০ টকাত ৰন্ধন গেছ প্ৰদান কৰি থকাৰ বিষয়ে ব্যক্ত কৰে। ড০ শৰ্মাই দিল্লীক আৱৰ্জনা আৰু প্ৰদূষণমুক্ত চহৰ হিচাপে গঢ়ি তুলিবলৈ দলটোৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে আৰু ক্ষমতালৈ আহিলে সকলো নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ কৰাৰ সংকল্পৰ কথা উল্লেখ কৰে। দিনটোৰ ব্যস্ততা সামৰি মুখ্যমন্ত্ৰীয়ে দিল্লীত বাস কৰা অসমীয়া লোকসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু নৈশ আহাৰত মিলিত হয়। অসমৰ পৰম্পৰা-ঐতিহ্যক জীয়াই ৰখাৰ বাবে দিল্লীবাসী অসমীয়া সমাজক তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে।

# নাগাৰা নামৰ শিল্পী বিজয় মেধিলৈ মোহন ভাইৰা বঁটা

**ই-সংবাদ বিশেষ, নলবাৰী, ৩০ জানুৱাৰীঃ** ২০২৫ চনৰ মোহন ভাইৰা স্মাৰক বঁটা নলবাৰী জিলাৰ উত্তৰ অঞ্চলৰ আল্লিয়াৰ নাৰায়ণ গাঁৱৰ বিশিষ্ট লোক সংস্কৃতিৰ সাধক নাগাৰা নামৰ শিল্পী বিজয় মেধিলৈ আগবঢ়োৱা হৈছে। আজি নলবাৰীৰ শ্বহীদ ভৱনত এক সংবাদমেলযোগে ঘোষণা কৰে এই বঁটা। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱা, সাংগঠনিক সম্পাদক ৰিয়াজুউদ্দিন আহমেদ, জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, সাধাৰণ সম্পাদক সমৰজ্যোতি মহন্ত উপদেষ্টা গুণজ্যোতি পাঠক, অক্ষয় ডেকা আৰু নলবাৰী জিলা উন্নতি সভাৰ সভাপতি হোমেশ্বৰ তালুকদাৰ উপস্থিত থকা আজিৰ সংবাদমেলত কয় যে নলবাৰী জিলা ছাত্ৰ সন্থা আৰু নলবাৰী জিলা উন্নতি সভাই ২০০৯ চনৰ পৰা সংস্কৃতিৰ পথাৰৰ পৰা হেৰাই যাব ধৰা থলুৱা কলা-সংস্কৃতি সাধনাৰে অসমৰ সংস্কৃতিৰ বৰঘৰ চহকী কৰা বিশিষ্ট শিল্পীক সন্মান প্ৰদান কৰাৰ বাবে ২০০৯ চনত পুণ্য প্ৰভা দত্ত তামুলী, ২০১০ চনত সীতাৰাম ৰায়, ২০১১ চনত মুকুতাৰাম বৰুৱা ওজা, ২০১২ চনত মাণিক শইকীয়া ওজা, ২০১৩ চনত ৰূহীন ৰাভা, ২০১৪ চনত দ্বেজেন গগৈ, ২০১৫ প্ৰভাত শৰ্মা, ২০১৬ চনত হৰি বৰবায়ন, ২০১৭ চনত ৰামচৰণ ভৰালী, ২০১৮ চনত লোকনাথ কুটুমক উক্ত বঁটা প্ৰদান কৰা হয়। অৱশ্যে ২০১৯ৰ 'কা' আন্দোলন আৰু ২০২০ চনত কোভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত এই বঁটা প্ৰদান কৰিব পৰা নগ'ল। ২০২১ চনত হৰেকৃষ্ণ তালুকদাৰ, ২০২২ চনত নিকুঞ্জ পাঠক, ২০২৩ চনত অনিৰাম নাথ, ২০২৪ চনত পৰমেশ্বৰ বসুমতাৰীক এই বঁটা প্ৰদান কৰা হয়। নলবাৰীৰ জিলা পুথিভঁৰাল ভঁৰাল প্ৰেক্ষাগৃহত অহা ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব লগা চলিত বৰ্ষৰ বঁটা প্ৰদান অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই উপস্থিত থাকিব বুলি জনাই নলবাৰী আছুৱে। বঁটা প্ৰদান কৰিব সাহিত্য অকাডেমি বঁটা প্ৰাপক ড° দীপক কুমাৰ শৰ্মাই। উল্লেখ্য যে, নলবাৰী জিলাৰ উত্তৰ অঞ্চলৰ আল্লিয়াৰ নাৰায়ণ গাঁৱত ১৯৪৬ তলত জন্মগ্ৰহণ কৰা নাগাৰা নামৰ শিল্পী বিজয় মেধিয়ে ১৯৬২ চনত নাগাৰা নামৰ চৰ্চা আৰম্ভ কৰিছিল।

# ঝুমুৰ নৃত্যৰে অভিলেখ! চাবুৱাত আখৰাত ব্যস্ত নৃত্য শিল্পী

**ই সংবাদ, চাবুৱা-লাহোৱাল, ৩০ জানুৱাৰীঃ** বিহুৰ পিছতেই এইবাৰ বিশ্ব অভিলেখ গঢ়িব অসমৰ চাহ জনগোষ্ঠীয় ঝুমুৰ নৃত্যই। তাৰ বাবে অসমৰ প্ৰতিটো বিধানসভা সমষ্টিয়ে সমষ্টিয়ে ব্যাপক প্ৰস্তুতি চলিছে। চাবুৱা-লাহোৱাল বিধান সভা সমষ্টিত বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত চলি আছে বাছনি প্ৰক্ৰিয়া। অসমৰ ভিতৰত চাবুৱা-লাহোৱাল বিধান সভা সমষ্টিৰ পৰা সৰ্বাধিক শিল্পীয়ে অংশগ্ৰহণ কৰিব। চাবুৱা-লাহোৱাল বিধান সভা সমষ্টিৰ ৪৪৬ গৰাকী শিল্পীয়ে অংশ লব এই কাৰ্যসূচীত। অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই খেল পথাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত প্ৰায় ৮০০০ নাচনী ঢুলীয়াই বিশ্ব ৰেকৰ্ডৰ বাবে ঝুমইৰ নৃত্য পৰিবেশন কৰিব। ৰাজ্যখনৰ সকলো চাহ বাগিছা, চাহ শ্ৰমিক, আদিবাসী বসতি প্ৰধান অঞ্চলৰ ঢুলীয়া নাচনী আদিয়ে এই নৃত্যত ভাগ লব। তাৰ বাবে ৰাজ্যজুৰি বাছনি আৰু প্ৰশিক্ষণ পূৰ্ণ গতিত চলিছে। বৃহস্পতিবাৰ পৰা চাবুৱাৰ বেতমেলা গাঁও খেলপথাৰত চাবুৱা-লাহোৱাল সমষ্টিৰ বাছনি প্ৰক্ৰিয়া আৰম্ভ হৈছে। প্ৰায় ৮০০ নাচনীয়ে বাছনি আৰু প্ৰশিক্ষণ পৰ্বত ভাগ লৈছে। অনুষ্ঠানটো চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই শুভাৰম্ভ কৰি অভিভূত হয়।

# পলাশতলত ক্ৰীড়া প্ৰতিযোগিতাৰ সফল সমাপ্তি

**ই-সংবাদ, নগাঁও, ৩০ জানুৱাৰীঃ** যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়, ভাৰত চৰকাৰৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ, নগাঁৱৰ উদ্যোগত অসম যোগ সংস্থা আৰু নগাঁও জিলা যোগ সন্থাৰ ব্যৱস্থাপনাত আজি পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত খাগৰিজান, পাখিমৰীয়া আৰু ৰহা উন্নয়ন খণ্ডৰ ক্লাষ্টাৰ পৰ্য্যায়ৰ বিভিন্ন ইভেণ্টৰ খেলসমূহ সফলতাৰে অনুষ্ঠিত হৈ যায়। পুৰুষ-মহিলা উভয়ৰে এথলেটিকচ, ভলীবল, কাবাডী, ৰচি টনা আৰু বেডমিণ্টন খেলৰ লগতে থলুৱা আৰু পৰম্পৰাগত বিভিন্ন খেল অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ আয়োজক সমিতিৰ সম্পাদক তথা জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক, যোগগুৰু প্ৰভাত চন্দ্ৰ বৰাৰ সামগ্ৰিক পৰিচালনাত বিয়লি চাৰি বজাত সামৰণি অনুষ্ঠান হয়। পলাশতল কাছমাৰী হাইস্কুলৰ প্ৰধান শিক্ষক কমল বৰাৰ লগতে অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক তথা ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, ৰিপন গুহ, হিৰণ্য গোহাঁই, বিচিত্ৰ ৰঞ্জন বৰা, চাহিল আহমেদ আদিয়ে বিভিন্ন পুৰস্কাৰসমূহ বিতৰণ কৰে। প্ৰতিযোগিতাখত ক্লাবসমূহৰ ভিতৰত সৰ্বাধিক পদক প্ৰাপ্তিৰে কাছমাৰীয়ে প্ৰথম, ফুলনিআটিৰ সান্নিধ্যই দ্বিতীয়স্থান, বাৰপূজীয়া আৰু ভকতগাঁও দলে যুটীয়াভাৱে তৃতীয়স্থান লাভ কৰি জিলা পৰ্য্যায়ৰ খেল সমূহত অংশগ্ৰহণ কৰিবলৈ সুযোগ লাভ কৰিছে। আয়োজক সমিতিৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই জনোৱামতে, ল'ৰাৰ ভলীবলত বাৰপূজীয়াই প্ৰথম আৰু কাছমাৰীয়ে দ্বিতীয়, কাবাডীত ভকতগাঁও প্ৰথম আৰু কাছমাৰী দ্বিতীয়, এথলেটিকচত দলগতভাৱে কাছমাৰী প্ৰথম আৰু সান্নিধ্যই দ্বিতীয় তথা ল'ৰাৰ একক শাখাৰ বেডমিণ্টনত সান্নিধ্যৰ নিহাৰ ৰঞ্জন দেৱনাথে প্ৰথম আৰু কুনাল বৰাই দ্বিতীয়স্থান দখল কৰে। এথলেটিকচৰে ল'ৰাৰ ১০০ মিটাৰ দৌৰত খালৈগাঁৱৰ বিকি ডেকাই প্ৰথম, সান্নিধ্যৰ যীচুৰাম নাথে দ্বিতীয় আৰু লক্ষ্যদ্বীপ বৰাই তৃতীয় স্থান অধিকাৰ কৰে।



ইংলেণ্ডৰ বিৰুদ্ধে মহিলা টেষ্টত এটা অভিনৱ কেচ অষ্ট্ৰেলিয়াৰ এলানাৰ



পাহাৰৰ টিলাত বহি গালেত অনুষ্ঠিত হৈ থকা অষ্ট্ৰেলিয়া-শ্ৰীলংকাৰ টেষ্ট মেচ উপভোগ একাংশ দৰ্শকৰ

## প্ৰস্তুতি সম্পূৰ্ণ বুলি ভিডিঅ' শ্বেয়াৰ কৰি নেটিজেনৰ ৰোষত পাকিস্তান

# চেম্পিয়ন ট্ৰফীৰ আয়োজক পাকিস্তানে সম্পূৰ্ণ কৰিব পৰা নাই ষ্টেডিয়ামৰ কাম

**কৰাচী, ৩০ জানুৱাৰীঃ** চেম্পিয়নছ ট্ৰফীক লৈ প্ৰস্তুতি চলাই শেষ কৰিব পৰা নাই পাকিস্তানে! প্ৰতিযোগিতাৰ বাবে ষ্টেডিয়াম আইচিচিৰ হাতত গতাই দিবলৈ হাতত আৰু মাত্ৰ ৬ দিন বাকী। অহা ৫ ফেব্ৰুৱাৰীত ষ্টেডিয়াম কেইখন চেম্পিয়ন ট্ৰফীৰ বাবে আইচিচিক অৰ্পণ কৰিব লাগিব পাকিস্তান ক্ৰিকেট ব'ৰ্ডে। কিন্তু হাতত ইমান কম সময় থকাৰ পিছতো ষ্টেডিয়ামসমূহৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ নুঠাত এতিয়া চিন্তাত পৰিছে আইচিচিও। গাদ্দাফি ষ্টেডিয়ামৰ কাম কিছু আগবাঢ়িছে যদিও কৰাচীৰ নেশ্যনেল বেংক ষ্টেডিয়ামত কাম সম্পূৰ্ণ কৰিবলৈ এতিয়াও বহু বাকী। আইচিচিক অনুৰোধ জনাই ইটোৰ পিছত সিটোকৈ সময়সীমা বৃদ্ধি কৰিও পাকিস্তানে প্ৰস্তুতি সম্পূৰ্ণ কৰিব নোৱাৰাত এতিয়া ট্ৰ'লৰ সন্মুখীন হৈছে দেশখনৰ ক্ৰিকেট ব'ৰ্ড। পাকিস্তান ক্ৰিকেট ব'ৰ্ডে আজি দাবী কৰে যে তেওঁলোকে সময়মতে খেলপথাৰ কেইখন প্ৰস্তুত কৰিবলৈ সক্ষম হ'ব। গাদ্দাফি ষ্টেডিয়ামৰ এটা ভিডিঅ' শ্বেয়াৰ কৰি তেওঁলোকে দাবী কৰি কয়, "ষ্টেডিয়ামখন ত্ৰিদেশীয় শৃংখলা আৰু চেম্পিয়নছ ট্ৰফীৰ বাবে সাজু হৈছে!" অৱশ্যে এই ভিডিঅ' ফুটেজটো দেখি নেটিজেনসকলে আচৰিত প্ৰকাশ কৰি ট্ৰ'ল কৰিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে, গাদ্দাফি ষ্টেডিয়ামৰ আউটফিল্ড এতিয়াও নিৰ্মাণ কৰা হোৱা নাই। আসন স্থাপন কৰা হৈছে যদিও ড্ৰেছিং ৰুমৰ কামো স্তব্ধ হৈ পৰিছে। খেলপথাৰৰ মাজত আছে বালিৰ দম, নাই ফ্লাডলাইটো! পাকিস্তান ক্ৰিকেট ব'ৰ্ডে প্ৰায় ১২ বিলিয়ন টকা ব্যয় কৰিছে যদিও প্ৰস্তুতিৰ এই অৱস্থাক লৈ প্ৰশ্ন উত্থাপন হৈছে। এনে কাৰণতে এতিয়া দম্ভালি মাৰি চেম্পিয়নছ ট্ৰফীৰ আয়োজন কৰা পাকিস্তানক লৈ সৰব হৈ পৰিছে নেটিজেন। অৱশ্যে এসপ্তাহৰ ভিতৰত ষ্টেডিয়ামৰ প্ৰস্তুতি সম্পূৰ্ণ হ'ব বুলি দাবী কৰিছে ক্ৰিকেট ব'ৰ্ডে।

# খেল মহাৰণক লৈ নগাঁৱত প্ৰস্তুতি সভা

**ই-সংবাদ, পুৰণিগুদাম, ৩০ জানুৱাৰীঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসন আৰু জিলা ক্ৰীড়া বিভাগৰ সহযোগত অনুষ্ঠিত অসমৰ ক্ৰীড়া ইতিহাসৰ সৰ্ববৃহৎ আয়োজন খেল মহাৰণ ২.০ ৰ জিলা পৰ্য্যায়ৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত আজি নগাঁও আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত অতিৰিক্ত আয়ুক্ত সুদীপ নাথৰ সভাপতিত্বত এখনি প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। সভাত জিলা পৰ্য্যায়ৰ খেল মহাৰণ ২.০ অহা ৬,৭ আৰু ৮ ফেব্ৰুৱাৰীত নগাঁও ক্ৰীড়া সংস্থা (নুৰুল আমিন ষ্টেডিয়াম)খেলপথাৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলাখনৰ ৭ টা বিধানসভা সমষ্টিৰ সমষ্টিভিত্তিক প্ৰতিযোগিতা ক্ৰমে- এথেলেটিক্স, ফুটবল, ভলীবল, চাইকেলিং, কাবাদী, দবা আদি প্ৰতিযোগিতাত বিজয়ী প্ৰতিটো সমষ্টিৰ ২০৮ গৰাকীকৈ বিজয়ী প্ৰতিযোগিয়ে জিলা পৰ্য্যায়ৰ এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব উক্ত জিলা পৰ্যায়ৰ খেল মহাৰণ ২.০ ৰ প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ সমূহ নগাঁওবাসী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা নগাঁও জিলা প্ৰশাসন আৰু জিলা ক্ৰীড়া বিভাগে আন্তৰিকতাৰে কামনা কৰিছে। আজিৰ এই প্ৰস্তুতিমূলক সভাত ৰহা সমজিলাৰ সমআয়ুক্ত ফিলিছ ভি.এল.এইছ. হুংচাল, কলিয়াবৰ সমজিলাৰ সম আয়ুক্তৰ প্ৰতিনিধি সহকাৰী আয়ুক্ত নৱ পেগু, জিলা ক্ৰীড়া বিষয়া প্ৰতীম বৰুৱা, জিলাখনৰ সন্মানীয় বিধায়কসকলৰ প্ৰতিনিধিসকল, খেল মহাৰণ ২.০ ৰ জিলা পৰ্য্যায় সমিতিৰ সন্মানীয় সদস্য সকলকে প্ৰমুখ্য কৰি জিলা ক্ৰীড়া বিভাগৰ শাৰীৰিক প্ৰশিক্ষকসকল উপস্থিত থাকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি